## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezborua h | |
| Title: বাঁহী | |
| Transliterated Title: Baāõhai | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৬/৪ অমৃত বান্ধব

বিষয়

গীত
সম্পাদকৰ চৰ্চা
বিবেকীটা মত
অসমীয়া ছাত্ৰ সম্মিলনী
মানিকি মৰ্দুৰি
তোমালৈ
বাট-চৰা
গান
এৰি যুগ
সুৱৰণি গীত
সৌ চেৰেক কথা
নুশুনা একেটি সুৰ
ঈশ্বৰোপাসনাৰ শিক্ষা দিয়া বক্তৃতা
ডোৰন্ধৰ দিনা ৰুক্সিনীধৰত লোৱা নাম
বৰকসাই
জুতুনী আৰু মোহৰী
চিকাৰ বিপদ
লোৱা কিতাপ
সখিকেৰে
আমাৰ ভুল শিক্ষাৰ সম্বন্ধ
বিলাতৰ কথা
উন্মাদ গীত
চিঠি

## গীত।

প্ৰেম প্ৰেম বুলি জগৎ ঘূৰিলোঁ,
ঘৰতে আছিল প্ৰেম ;
ধন ধন কৰি চাপৰি মেলিলোঁ,
হিয়াতেই পৰম ধন।
গঙ্গা যমুনা স্নানিলোঁ যতনে,
গয়া কাশী তীৰ্থ কৈলোঁ ;
মোৰ ঈশ্বৰ হিয়াতেই আছিল,
কৰ্ণাত বিচাৰি নৈলোঁ।
প্ৰকৃত ধৰম বিচাৰি-খোচাৰি
বিদেশ ঘনালোঁ দুখে ;
নিজৰ দেশৰ নিষ্কল ধৰম
নামঘৰৰ দুৱাৰ-মুখে।
"গুৰু লাগে, নই শিক্ষিত শিক্ষ!"—
জগতত জনা দিলোঁ ;
জগতৰ গুৰু শঙ্কৰ ঘৰতেই,
অন্ধকাৰে নেদেখিলোঁ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# সম্পাদকৰ চ'ৰা।

ৰায় বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈয়ে আসামত ধৰ্ম্মসম্প্ৰদায়বিলাকৰ বিষয়ে যি "নোট" লেখিছিল, তাত তেওঁ দামোদৰীয়া আৰু হৰিদেৱী পন্থৰ ধৰ্ম্মক শ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মৰ অন্তৰ্গত বুলি কৈছে। তেওঁৰ কথা সম্পূৰ্ণ সঁচা। তেওঁ বামুণীয়া আৰু দামোদৰীয়া এই দুটা পন্থৰ বিভিন্নতাৰ বিষয়ে যি কৈছে সিও সঁচা। বংশীগোপালদেৱ, শ্ৰীহৰি আৰু যদুমণি এই তিনিজনৰপৰা বঢ়া সত্ৰক বামুণীয়া বোলে, আৰু দামোদৰদেৱৰপৰা বঢ়া সত্ৰক দামোদৰীয়া বোলে। বামুনীয়া সত্ৰ সংস্থাপকসকলে শ্ৰীমাধৱদেৱৰপৰা, উজনিত শ্ৰীশঙ্কৰদেৱৰ ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ আদেশ পাইছিল। ৰায় বাহাদুৰে কৈছে যে "The Bamunia Gossains are Damodaria in all respect except that they did not receive Adesh direct from Damodar Dev" অৰ্থাৎ বামুণীয়া সত্ৰবোৰ দামোদৰীয়াই, কিন্তু মাথোন তেওঁলোকে দামোদৰদেৱৰপৰা পোন বাটেদি আদেশ পোৱা নাছিল। ইয়াৰ মানে এইটো ওলায় যে উজনিৰ দামোদৰীয়া সত্ৰ বা বামুণীয়া সত্ৰ কেইখন, যেনে—আউনিআটী, কুৰুৱাবাহী, গড়মূৰ আদি বংশীগোপালদেৱে (যি মাধৱদেৱৰপৰা আদেশ পাইছিল, গতিকে মহাপুৰুষীয়া) স্থাপন কৰা। আৰু সেই কেইখনে যেতিয়া নিজক দামোদৰীয়া বোলে, দামোদৰীয়া ও গুৰিতে মহাপুৰুষীয়া বা শ্ৰীশঙ্কৰ প্ৰচাৰিত ধৰ্ম্মপন্থীয়া। যি হওক পোন বাটে হোৱা দামোদৰীয়া থাই সত্ৰ এই কেইখন :—দক্ষিণপাট, পাটবাউসী, ব্যাসকুচি। বামুণীয়া অৰ্থাৎ মাধৱদেৱৰপৰা আদেশ পোৱা থাই সত্ৰ এই কেইখন—আউনিআটী, গড়মূৰ, কুৰুৱাবাহী।

***

দক্ষিণপটীয়া গোসাঁয়ে "মাগস্থাজনক" শক্তিমন্ত্ৰ দিয়ে। কিন্তু এইটো কথা পাহৰিব নালাগে যে স্বয়ং দামোদৰদেৱে, বজাই তেওঁক বলি দি শক্তি পূজা কৰিবলৈ কোৱাত, কি উত্তৰ দিছিল। মুঠতে দামোদৰদেৱে আগম আৰু নিগম এই দুই পন্থত চলিবলৈ তেওঁৰ শিষ্যসকলক ব্যৱস্থা দিয়া কথাষাৰ প্ৰমাণৰ আগত সহলা নিটিকে। আন পক্ষে আনি যদ্দূৰ জানো আউনিআটী গড়মূৰ কুৰুৱাবাহাত শিষ্যক শক্তিমন্ত্ৰ দিয়াৰ ব্যৱস্থা নাই। এইটো এটা ডাঙৰ প্ৰভেদ, ইয়াৰ গাতমাই



উবাই দিয়া নচলে। স্যৰচাৰ্লচ্ ইলিয়টে (Sir Charles Eliot) লেখি থৈ গৈছে—"The Vaisnavism of the Bamunia Satra is less Brahmanized than that of the Damudari Satra like Dakhinpat. অৰ্থাৎ বামুণীয়া সত্ৰৰ বৈষ্ণৱধৰ্ম্ম, দক্ষিণপাট সত্ৰৰ নিচিনা দামোদৰীয়া সত্ৰতকৈ কম বামুণীয়া।

***

এই সম্পৰ্কে চতুৰ্থ বছৰৰ ১১শ সংখ্যা বাঁহীত ওলোৱা এটা প্ৰবন্ধৰ ফালে আমাৰ পাঠকৰ চকু পেলাওঁ। প্ৰবন্ধটোৰ নাম বংশীগোপালদেৱ। লেখক মোহন চন্দ্ৰ দেৱ গোস্বামী, নাইআটী সত্ৰৰ অধিকাৰ। এওঁ বংশীগোপালদেৱৰ সমসাময়িক আৰু নগৰীয়া শ্ৰীহৰিৰ উত্তৰাধিকাৰী। শ্ৰীহৰি, যদুমণি আৰু বংশীগোপাল এই তিনিজনেই বামুণীয়া সত্ৰৰ আদি সংস্থাপক। মোহনচন্দ্ৰ গোস্বামীয়ে লেখিছে যে বংশীগোপালদেৱে শ্ৰীশঙ্কৰদেৱক বিচাৰি ধৰ আশা কৰি বৰপেটালৈ আহি শুনিলে যে শঙ্কৰদেৱ আৰু এই পৃথিবীত নাই, আৰু মাধৱদেৱক শঙ্কৰদেৱে উত্তৰাধিকাৰী পাতি গৈছে; এই খবৰ শুনি তেওঁ মাধৱদেৱৰ ওচৰলৈ আহিলত মাধৱদেৱে বংশী গোপালদেৱক দামোদৰদেৱৰ ওচৰলৈ গৈ শৰণ লৈ উভতি আহি তেওঁৰপৰা ধৰ্ম্মোপদেশ আদি লবলৈ কলে। মাধৱদেৱে তেওঁক, ধৰ্ম্মোপদেশ দি আৰু গুৰুবস্ত্ৰ দি ধৰ্ম্মাচাৰ্য্য পাতি যদুমণিদেৱৰে সৈতে উজনিত ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ পঠিয়াই দিয়ে। নাইআটীৰ অধিকাৰ মোহনচন্দ্ৰ দেৱৰ মতে বংশীগোপাল দেৱ মাধৱদেৱৰ ১২জন শিষ্যৰ একজন, আৰু দামোদৰদেৱৰ ৪ জন প্ৰধান ধৰ্ম্মপ্ৰচাৰকৰ ভিতৰৰ একজন। ওপৰৰ এই বিবৰণৰপৰা ভালকৈ দেখি, কেনেকৈ গুৰিৰ বামুণীয়া গোসাঁইসকলেৰে সৈতে মাধৱদেৱৰ অবিচ্ছিন্ন সম্বন্ধ, সিটো কথা আজিলৈকে ঢাক খাব নোখোজে।

***

আসামত হিন্দুধৰ্ম্মৰ এই কেইটা শাখা—

১। শ্ৰীশঙ্কৰদেৱৰ প্ৰবৰ্ত্তিত বৈষ্ণৱধৰ্ম্মৰ ভিতৰুৱা—(১) মহাপুৰুষীয়া; (২) ঠাকুৰীয়া; (৩) দামোদৰীয়া; (৪) বামুণীয়া, (৫) হৰিদেৱী।

২। চৈতন্যপন্থী বৈষ্ণৱ গোসাঁই।

৩। শাক্ত গোসাঁই,—(পৰ্ব্বতীয়া; ন গোসাঁই)

৪। মোৱামৰীয়া সত্ৰ (গুৰিত মহাপুৰুষীয়া)

৫। বাতিখোৱা; পূৰ্ণভগীয়া। (বৈষ্ণৱধৰ্ম্ম আৰু তান্ত্ৰিক ধৰ্ম্মৰ সানমিহলি; আৰু নানা দোষযুক্ত বুলি বিবেচিত এটা সম্প্ৰদায়।)

---

# বৰপেটা সত্ৰ।

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ তিৰোভাৱৰ পিছত শ্ৰীমাধৱদেৱে সম্ভৱতঃ ১৫০০ শকত বৰপেটা সত্ৰ স্থাপন কৰে। তেওঁ বৰপেটা এৰি কোচ বেহাৰলৈ যাবৰ সময়ত মথুৰাদাস আতাক (যি বুঢ়া আতা নামে প্ৰসিদ্ধ) বৰপেটা সত্ৰৰ অধিকাৰ পাতি যায়। বুঢ়া আতাৰ সময়ত কোচ ৰজা এবাৰ বৰপেটা সত্ৰলৈ আহিছিল বুলি কয়। বুঢ়া আতাই পৃথিৱী পৰিত্যাগ কৰিবৰ সময়ত ভকতসকলে যেতিয়া তেওঁৰ পিছত কোন ধৰ্ম্মাচাৰ্য্য হব বুলি তেওঁক সুধিলে, তেওঁ কলে "মোৰ পিছত সত্ৰৰ গদিত অধিকাৰ হৈ বহিবৰ উপযুক্ত কাকো নেদেখিলোঁ, সেইদেখি মই সমূহ ভকত-সকলৰ হাতত সত্ৰৰ ভাৰ দিলোঁ, সমূহে যাকে ভাল যেন বিবেচনা কৰে, তেওঁকে সত্ৰৰ অধিকাৰ পাতিব।" তেতিয়াৰেপৰা সমূহৰ হাতলৈ (Democracy) বৰপেটা সত্ৰ আছিল। সমূহে গোবৰ্দ্ধন আতৈ নামেৰে এজনক প্ৰথমতে বুঢ়া-সত্ৰীয়া পাতিলে; সম্ভৱতঃ কেৱলীয়া ভকতসকলৰ ভিতৰত তেওঁ বয়সত বৃদ্ধ আছিল। কিন্তু তেওঁ সত্ৰ ভালকৈ চলাব নোৱাৰিলে। শ্ৰীশঙ্কৰদেৱৰ নাতি চতুৰ্ভুজ ঠাকুৰ ইয়াৰ কিছুদিনৰ পিছত এবাৰ বৰপেটালৈ আহোঁতে, সমূহ ভকতসকলে তেওঁক বৰপেটা সত্ৰৰ অধিকাৰ হবলৈ বৰকৈ ধৰিলে, কিন্তু চতুৰ্ভুজ ঠাকুৰে বিষ্ণুপুৰত নিজৰ সত্ৰ থকাৰ নিমিত্তে, বৰপেটাত অধিকাৰ হৈ থাকিবলৈ অস্বীকাৰ কৰিলে। ঠাকুৰদেৱে ভকতসকলক কলে যে যদি তেওঁলোক সন্মত হয় তেন্তে বৰপেটা সত্ৰৰ অধিকাৰ হবৰ নিমিত্তে তেওঁ আন এজন যোগ্য লোক দিব পাৰে। ভকতসকল সেই প্ৰস্তাৱত সন্মত হওঁতে, ঠাকুৰে শ্ৰীশঙ্কৰদেৱৰ সখী আৰু পুৰোহিত ৰামৰাম গুৰুৰ [illegible] গোপাল মিশ্ৰক আনি বৰপেটা সত্ৰৰ অধিকাৰ হবলৈ মনোনীত কৰিলে, সমূহে গোপাল মিশ্ৰক বুঢ়া-সত্ৰীয়া পাতিলে, আৰু তেতিয়াৰেপৰা সেই বংশতে [illegible] আছে। আজিকালিৰ বুঢ়া সত্ৰীয়া শ্ৰীযুত গোবিন্দদেৱ মিশ্ৰ গোপাল



মিশ্ৰৰপৰা উত্তৰাধিকাৰীৰ লেখত ষষ্ঠ হৈ নামা। বৰপেটা সত্ৰৰ বুঢ়া-সত্ৰীয়া, ডেকা-সত্ৰীয়াকে আদি কৰি সকলো বিষয়া সমূহ ভকতসকলে নিযুক্ত কৰে। তলত নাম দিয়া কেইজনেই বৰপেটা সত্ৰৰ মুখ্য বিষয়া :—

বুঢ়া-সত্ৰীয়া :—সমূহ ভকতসকলৰ বুঢ়া-সত্ৰীয়াই সভাপতি সমূহৰ তৰফে তেওঁ ভকতক "শৰণ" দিয়ে, আৰু সত্ৰৰ সকলো কাৰ্য্যৰ তত্বাৱধাৰণ কৰে, সমূহ ভকতসকলৰ সভা বা মেলৰ অধিৱেশনত তেওঁ সভাপতি স্বৰূপে বহে, যি সভাত সত্ৰৰ কাৰ্য্য নিৰ্ব্বাহৰ নিমিত্তে নিয়ম-কানোন আৰু দোষীক দণ্ডাদি বিহা হয়।

ডেকা-সত্ৰীয়া :—তেওঁ বুঢ়া সত্ৰীয়াৰ সহকাৰী। বুঢ়া-সত্ৰীয়া নাথাকিলে, তেৱেঁই ভকতক শৰণ দিয়া আদি সকলো কাৰ্য্য বুঢ়া সত্ৰীয়াৰ প্ৰতিনিধি স্বৰূপে কৰে। এওঁৰ বিশেষ ক্ষমতা নাই।

মজিন্দাৰ :—এওঁ সত্ৰৰ হিচাপ-কিতাপ ৰাখে, আৰু সমূহৰ তৰফে আদেশ আদি প্ৰচাৰ কৰে।

ভঁৰালী :—এওঁৰ হাতত সত্ৰৰ ধনৰ ভঁৰাল।

পূজাৰি :—এওঁ সত্ৰৰ মূৰ্ত্তি বা বিগ্ৰহ নিতৌ পূজা কৰে।

ভাগতী বা ভাগৱতী :—এওঁ নিতৌ কীৰ্ত্তনঘৰত ভাগৱত পাঠ আৰু ব্যাখ্যা কৰে।

পাঠক :—এওঁ নিতৌ কীৰ্ত্তনঘৰত শ্ৰীশঙ্কৰ মাধৱদেৱৰ ৰচিত ধৰ্ম্মৰ পুথি পাঠ কৰে।

এওঁলোকৰ পিছত, গায়ন, বায়ন, ওজা, দেউৰি, পাচাধৰিয়া। গায়ন বায়নে সঙ্গীত কৰে, ওজাই ব্যাহ গায়, দেউৰীয়ে প্ৰসাদ বিলাই দিয়ে।

আমি ওপৰত কৈছোঁ যে বুঢ়া-সত্ৰীয়াই সমূহৰ প্ৰতিনিধি স্বৰূপে, শিষ্য হবলৈ আহোঁতাজনক শৰণ দিয়ে। শৰণৰ পিছত সেই শিষ্যই মুখ্য কেৱলীয়া ভকতৰ "বহা"বোৰৰ এখন বহাত সেই বহাৰ মুখ্য ভকতজনৰপৰা ভজন লবলৈ যায়। শৰণ মানে পৰমেশ্বৰত শৰণ allegiance; ভজন পৰমেশ্বৰত ভজনা অৰ্থাৎ further religious teachings. শৰণত শিষ্যজনক এক পৰমেশ্বৰত (Supreme God) শৰণ লবলৈ কয়। ঈশ্বৰক কেনেকৈ ভক্তি কৰিব লাগে, কেনেকৈ পবিত্ৰ জীৱন যাপন কৰিব লাগে, আচাৰ ব্যৱহাৰত আৰু আহাৰ বিহাৰত কেনেকৈ শুদ্ধ ভাৱে চলি সদাচাৰী হব লাগে, ইত্যাদি কথা, বুঢ়া ভকতজনে শিক্ষা

ভজনত শিকায়; সেঁদেখি ভজন শৰণৰ এক অঙ্গ আৰু ভজনেৰে শৰণ পূৰ্ণাঙ্গ হয়। শিষ্যই শৰণ লওঁতে গুৰুক অলপ বিত্ত দিব লাগে সেই বিত্তৰ এভাগ সত্ৰৰ ভঁৰাললৈ যায় আৰু এভাগ গুৰুৱে পায়। ভজন দিওঁতা বুঢ়াভকতেও শিষ্যজনৰপৰা অলপ বিত্ত লাভ কৰে।

সাধাৰণ কেৱলীয়া ভকতসকলে ভিক্ষা কৰি ধান চাউল সংগ্ৰহ কৰে। কেৱলীয়া মানে উদাসীন। নাম-ঘোষাত মাধৱদেৱে কৈছে—কেৱলীয়া ভকত এইসকল যি কেৱল ভক্তিৰ নিমিত্তেই ঈশ্বৰক ভক্তি কৰে, মুক্তিৰ ( liberation ) নিমিত্তে নহয়। মুমুক্ষু ভকত আৰু কেৱলীয়া ভকত, এই দুটিৰ ভিতৰত প্ৰভেদ আছে।

শ্ৰীমদ্ভাগৱত বা যদুবীৰ নামে বিগ্ৰহ বৰপেটা সত্ৰত আছে। মাধৱদেৱে নিশ্চয় এই বিগ্ৰহ বৰপেটাত প্ৰতিষ্ঠা কৰা নাই। সম্ভৱতঃ গোপাল মিশ্ৰৰ দ্বাৰাই এই বিগ্ৰহ প্ৰতিষ্ঠিত। কোচেশ্বৰৰ ৰজাৰ আজ্ঞাত এই বিগ্ৰহ বৰপেটাত থোৱা বুলি কোনোৱে কয়; কোনোৱে কয় আহোম ৰজাৰপৰা মাটিবাৰী লাভ কৰিবৰ নিমিত্তে পিছৰ কালত এই বিগ্ৰহ বৰপেটাত প্ৰতিষ্ঠিত হয়, কাৰণ আহোম ৰজাই মূৰ্ত্তিক হে মাটিবাৰী দান কৰা বাৰ্দ্দী অনেক ঠাইত চলাইছিল। বৰপেটা সত্ৰৰ মাটিবাৰী আহোম ৰজাই সমূহ ভকতক শ্ৰীমদ্ভাগৱত বিগ্ৰহৰ নিমিত্তেই দান কৰিছিল। এই বিগ্ৰহৰ ঠাই কীৰ্ত্তন ঘৰ বা নামঘৰ নহয়; নাম ঘৰতে লগা মণিকূট ঘৰত হে এই বিগ্ৰহৰ ঠাই। নামঘৰত শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ আৰু বুঢ়াআতাৰ নামত অৰ্পিত সিংহাসন আছে। মণিকূটত বিগ্ৰহৰ পূজা পূজাৰিয়ে কৰে।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# অসমীয়া ছাত্ৰ সন্মিলনী।

গীত। স্বৰ-মিশ্ৰ।

( বাটোৱা—বিমুক্ত পদ্মৰ চলাহা। )

একেটি সুৰৰ একেখনি বাঁহী তোৰে আকাশ, আমাৰ কাণ,
একে জননীৰ একেটি চেনেহে বান্ধা জীৱনত আমাৰ প্ৰাণ।



একে জননীৰ পূজাৰ কাৰণে একে মন্দিৰত দোঁৱাই শিৰ,
একেটি প্ৰাণেৰে মিলিছোঁ ভক্ত কৰি ই শুভ লগন স্থিৰ।
হিয়াৰ বক্তে তোমাৰ ভক্তে পূজিম তোমাক চেনেহী আই।
চোৰাঁচোঁ এবাৰ চেনেহ চকুৰে দিয়াঁ চৰণত এবাৰ ঠাই।
ঠুঁটুক ঠানাক্ ছটি এটি মাতে মাতিছোঁ তোমাক জননী ঐ!
মৰম চেনেহ হৰিষ-বিষাদ নোৱাৰোঁ বুজাব শুৱলাকৈ।
তোমাৰ কোমল আঙ্গুলি বুলাই হৃদয় বীণাৰ জোৰাঁচোঁ তান,
গাম হিয়া খুলি বিবিধ ছন্দে, গাম তোমাৰেই মহিমা গান।
হিয়াৰ বক্তে • • • •

এখুঁজ ভুখুঁজি কৰি ভয়ে ভয়ে চাপিছোঁ জননী তোমাৰ কাষ।
মনৰ শঙ্কা গুচোৱা হে আই! অজলা দাসৰ পুৰোৱা আশ।
হওঁ যদি পাৰ এবাৰ তোমাৰ সেৱা মন্দিৰৰ সিংহদ্বাৰ,
মাতৃ ভূমিৰ মহা মন্দিৰত যাচিব পৰিম দীন সম্ভাৰ।
হিয়াৰ বক্তে • • • •

উৰি কল্পনাৰ কোমল পাখিৰে কুটা এডালিকো যদি হে পাওঁ,
আনি দিওঁ আই তব চৰণত তাকে উলাহত ওপঙি যাওঁ।
দূৰ অতীতৰ ঘোৰ আন্ধাৰত খপিয়াই পাওঁ যিটি মণি,
বুটলি হেঁপাহে ডিঙিত পিন্ধাওঁ উজলাওঁ বুলি বয়ান খনি।
হিয়াৰ বক্তে • • • •

যিদিনা তোমাৰ "দীপিকা" জয়ৰী ধৰিছিলে নাম শুৱলা ছন্দে,
সিদিনা সকলো নিমাত নিটাল নীৰবে তোমাৰ চৰণ বন্দে।
যিদিনা মাধৱ-কন্দলিয়ে গালে ৰামায়ণ তব আশীষ লৈ।
মন্ত্ৰমুগ্ধ কনিনীৰ দৰে শুনিলে ভক্তে বিভোল হৈ।
হিয়াৰ বক্তে • • • •

শ্ৰীমন্ত শঙ্কৰে দিলে চৰণত ভক্তি-কুসুম ভৰাই অৰ্ঘ।
তোমাৰ প্ৰসাদে হৰিনাম ৰসে কৰিলে অসম ধৰাৰ স্বৰ্গ।
মাধৱ পুৰুষে "বৰগীত"ৰে সজালে তোমাৰ পদাৰবিন্দ,
"প্ৰেমৰ মন্দিৰ" গোসাঁই তোমাক সেৱিলে যতনে ভকত বৃন্দ।
হিয়াৰ বক্তে • • • •

আহিছে তোমাৰ পৰম ভক্ত পূজাৰি স্বৰূপে এই পূজাৰ,
দীন আয়োজন নিঘিণাবা দেৱ! নোৱাৰোঁ যোগাব ষোড়শোপচাৰ,
দিয়াহি শিকাই আমোৰ মন্ত্র দিয়াহি আমাক মহান দীক্ষা।
দিয়াহি বিলাই প্ৰাণৰ নিৰ্ম্মালি মাগোঁ জননীৰ আশীষ ভিক্ষা।
হিয়াৰ বক্ষে * * * *

---

# মাণিকি মধুৰি।

"ভেৰাছাগলি আদিও মানুহতকৈ সতৰ্ক, কিয়নো সিহঁতে বধীয়াৰ মাত শুনিলেই চৰি থকা ঠাইৰপৰা লৰি আহি বধীয়াৰ ওচৰ পাই আহাৰৰপৰা নিবৃত্ত হয়হি, কিন্তু মানুহে ঈশ্বৰৰ আহ্বান ধ্বনি শুনিও তেওঁৰ ফালে বাট নলয় আৰু নিজৰ ভোগ সুখৰপৰাও বিৰত নহয়।

অসাধু মানুহৰ সংসৰ্গে তোমাৰ মনত সাধু লোকলৈ অশ্ৰদ্ধাৰ ওপজাই দিব।

যদি লোক কোনোবাই সুৰাপান আৰু সংসাৰাসক্তিৰ কাৰণে নিমন্ত্ৰণ কৰে, মই সংসাৰাসক্তিৰ নিমন্ত্ৰণটোক বেছিকৈ ঘিণাম।

যেতিয়া দেখিম তোমাৰ মনত ঈশ্বৰলৈ একবিন্দুও বিৰুদ্ধ ভাব নাই, তেতিয়াহে তোমাৰ প্ৰকৃত ঈশ্বৰ জ্ঞান হৈছে বুলি মানি লম।

নিৰ্ব্বোধ মানুহে যেতিয়া দেখে যে তাৰ পাছত বহুতো অনুচৰ আছে, সি তেতিয়া অহঙ্কাৰত ওকন্দি পৰে।

যদি তুমি কাৰবাক কিবা আজ্ঞা কৰিব খোজা, তেনেহলে প্ৰথমে তুমি আজ্ঞাকাৰী হোৱাঁ।

পৰিয়াল আৰু ল'ৰা তিৰুতাতকৈয়ো ধৰ্ম্ম বন্ধুসকল মোৰ ওচৰত অধিক প্ৰিয়, কিয়নো তেওঁলোক ধৰ্ম্মৰ বন্ধু, পৰিয়াল সাংসাৰিক বন্ধু, কিন্তু ধৰ্ম্মৰ শত্ৰু।

বাধ্যতা কি? অন্তৰত যি প্ৰকাশিত হয় তাৰ অনুবৰ্ত্তী হৈ চলাই বাধ্যতা।

ইন্দ্ৰিয়াসক্ত, ক্ৰিয়াশীল, অত্যাচাৰী আচাৰ্য্য এই তিনিওবো দোষ বটা নিন্দাৰ ভিতৰত গণ্য নহয়।



বিষয়ী মানুহে তিনটা বিষয়ৰ কাৰণে আক্ষেপ কৰি ইহলোক পৰিত্যাগ কৰে প্ৰথম—ইন্দ্ৰিয় সম্ভোগত তৃপ্ত নোহোৱা। দ্বিতীয়—যিমান আশা কৰিছিল সিমান পূৰ্ণ নোহোৱা। তৃতীয়— পৰলোকলৈ সম্বল সঞ্চয় কৰিব নোৱৰা।

সংসাৰক যি গচ্ছিত সামগ্ৰীৰূপে ব্যৱহাৰ কৰে, ঈশ্বৰে তেওঁক ক্ষমা কৰে; প্ৰয়াণৰ সময়ত তেওঁলোকে গচ্ছিত সামগ্ৰী ওভোতাই দি লঘুভাৰ হৈ অনায়াসে পাৰি দি সিপাৰলৈ গুচি যায়।

যি সংসাৰক ভাঙ্গি তাৰ ভগা সজুলিৰে পাৰলৌকিক ঘৰ সাজে, পৰলোক ভাঙ্গি তাৰ ভগা সজুলিৰে সংসাৰ নিৰ্ম্মাণ নকৰে, তেওঁকেই মই চতুৰ আৰু জ্ঞানী বুলি কওঁ।

যি ঈশ্বৰক চিনে তেওঁ তেওঁক প্ৰেম কৰে, যি মাথোন সংসাৰকেহে চিনে সি ঈশ্বৰৰ আৰু মোৰ শত্ৰুতা কৰে।

সংসাৰত ইন্দ্ৰিয়বিলাসক বান্ধি থবলৈ যেনে টান শিকলি লাগে তেনে টান শিকলি কোনো হিংস্ৰ পশুতো ব্যৱহাৰ কৰিব নালাগে।

তোমাৰ মৃত্যুৰ পাছত সংসাৰে তোমালৈ কেনে ভাব ধাৰণ কৰে যদি জানিব খোজাঁ, তেনেহলে আন এটা তোমাৰ আগতে মৰি যোৱা মানুহৰ প্ৰতি কি ভাব ধাৰণ কৰিছে চাই লোৱাঁ।

মই ঈশ্বৰৰ শপত খাই কৈছোঁ যে—মানুহে সাংসাৰাসক্তিৰ বশত হে পুত্তলাৰ পূজা কৰে।

ঈশ্বৰৰপৰা যিখন লিপি আহিছে তোমালোকৰ পূৰ্ব্বপুৰুষসকলে তাৰ মৰ্য্যাদা ৰক্ষা কৰি গৈছে; তেওঁলোকে ৰাতি সেই বিষয়ে চিন্তা কৰি দিনত সেই ৰকমে কাম কৰিছিল। তোমালোকে সেই অনুষ্ঠানৰপৰা বিৰত হৈ সেই স্বৰ্গীয় লিপিৰ আকাৰ ইকাৰাদি বৰ্ণ পৰিবৰ্ত্তন কৰি তাক সংসাৰৰ লিপি কৰি লৈছা।

এক বিন্দু অনাসক্তি হাজাৰ বছৰৰ নামাজ ৰোজাতকৈও শ্ৰেষ্ঠ।

তোমাৰ চিন্তা দৰ্পণৰ নিছিনা, সি তোমাৰ শুভাশুভ সুন্দৰকৈ তোমাক প্ৰদৰ্শন কৰায়।

যি মানুহে ভাবি চিন্তি কথা নকয় সি বিপদত পৰে; সি মানুহ সুচিন্তাযুক্ত হৈয়ো মৌন নহয়, তাৰ মন কুকামনা আৰু এলাহৰ আলয় হয়; যি মানুহে চকুক শাসন নকৰে, চকুৱে তাক কুপথগামী কৰে।

যি মানুহে বাসনাক ভৰিৰে মোহাৰি পেলাইছে সি মুক্ত ; যি মানুহে ঈৰ্ষ্যা ত্যাগ কৰিছে সি প্ৰেম লাভ কৰিছে ; আৰু যি মানুহে ধৈৰ্য্য ধাৰণ কৰে সি সদায় শুভ ফলো ভোগ কৰে।

যেতিয়ালৈকে হিয়াই কথা নকয় জ্ঞানী মানুহ তেতিয়ালৈকে মৌন হৈ থাকে। অন্তৰৰ কথাহে তেওঁলোকৰ জিভাত উচ্চাৰিত হয়।

অনাসক্তিৰ অৱস্থা তিনটা, প্ৰথম সাধকে নিজৰ কথা নকৈ ঈশ্বৰৰ প্ৰত্যাদেশহে কয়, তাত তুমি ভালেই পোৱাঁ বা বেজাৰেই পোৱাঁ তালৈ তেওঁ নেচায়। দ্বিতীয়—যি বিষয়ত ঈশ্বৰৰ বিৰাগ তাৰপৰা ইন্দ্ৰিয়বিলাকক ৰক্ষা কৰে। তৃতীয়—যি বিষয়ত ঈশ্বৰৰ প্ৰসন্নতা তাতেইহে তেওঁৰ চেষ্টা আৰু উদ্যোগ।"*

এম, মোছলেহ উদ্দিন আহমদ।

---

# তোমালৈ।

১। সপোনৰ প্ৰথম পুৱাত
সাৰ পাই উঠিলোঁ যেতিয়া,
দেখিছিলোঁ তোমাৰ ছবিটি
—জীৱনত প্ৰেমৰ অমিয়া।

২। ধীৰে ধীৰে বলিছে বতাহ,
কাণে কাণে বাতৰি বিলাই,
আকাশত তৰাৰ গোহৰ
এতিয়াও ঘুমাৰ যোৱা নাই।



৩। খোজ ললোঁ আপোন পাহৰি,
তুমি মোৰ চকুৰ আগত ;
কায চাপি আহিলোঁ যেতিয়া
—তুমি মোৰ প্ৰাণৰ মাজত।

৪। লয় পায় মলয়াৰ মেলা
লাহে লাহে তটিনী বুকুত,
উৰি যায় গোলাপৰ গোন্ধ
ছবি যেন সপোন মাজত।

৫। কু-উ কু-উ বিষাদৰ সুৰ
মাৰ গল পুৱঁতি নিশাত ;
চোৱাঁ কেনে সুন্দৰ সময়
সকলোটি নীৰৱ নিমাত।

৬। প্ৰাণ মোৰ পৰিছে ভাগৰি
আলেঁবেথে তুলি লোৱাঁ মোক,
শেষ হক তোমাৰ কোলাতে
জীৱনৰ যত দুখ শোক।

৭। ক'তো নাই মৰমৰ চিন,
বিচাৰি কয়ে ফুৰিলোঁ বিচাৰি,
তুমি যদি এৰি দিয়া মোক
কোনে তেনে ধৰিব সাদৰি ?

৮। নিৰাশাত ভগা হিয়াখনি
জোৰোৱাঁহি মধুৰ মাতেৰে
শুকোৱা লেবেলা ফুলপাহি
তিয়োঁৱাহি চুমি সাদৰেৰে।

৯। তুলি লোৱাঁ এবাৰ বুকুত,
সমুখত বহল সংসাৰ—
দুখ শোক যাতনাৰে ভৰা,
ই জীৱন দুখৰ আধাৰ।

---

* "তাপসমালা"ৰপৰা মহৰ্ষি জোৱেন এক্সেৰৰ মাবতা উক্তি ; আৰু সেই কিতাপৰপৰাই অনুবাদিত। ভবিষ্যতে উক্ত মহাত্মাৰ বিচেট সংক্ষিপ্ত জীৱনী একেতা "বাঁহী"ৰ পাঠকসকলক উপহাৰ দিবলৈ মনতে কাল্পি থলোঁ।

—: অনুবাদক :—

১০। কান্দি কান্দি লাগিল আমনি
কান্দিবৰ শকতিও নাই;
তোমাৰ চেনেহি হাতখনি
চেনেহেৰে দিয়াঁহি বুলাই।

১১। চকুজুৰি মুদাৰ আগেয়ে
চালোঁ আহি তোমাৰ মৰম,
মৰণৰ আগেয়ে এবাৰ
হক মোৰ সাৰ্থক জনম।

১২। মাৰ যক প্ৰেমৰ বুকুতে
অন্তহীন সুৰ বিষাদৰ,
হাঁহি মুখে মাগিলোঁ মৰণ,
—তুমি মোৰ প্ৰতিমা প্ৰাণৰ।

যত।

---

## বাট-চৰা।

"ডিপ্ৰেচ্‌ড্‌ (Depressed Class) অৰ্থাৎ হিন্দু-সমাজৰ জাতি বিভাগৰ তলৰ খাপত "অপ্ৰেচ্‌ড্‌" (Oppressed) হৈ অৰ্থাৎ নানা অসুবিধা অপমান আৰু লাঞ্ছনা ভোগ কৰি পৰি থকা হিন্দুসকলৰ উদ্ধাৰৰ সম্পৰ্কে নানা প্ৰস্তাৱ নানা কথা আজিকালি ভাৰতৰ নানা ঠাইত শিক্ষিতসকলৰ মুখত শুনিবলৈ পোৱা যায় আৰু তেওঁলোকে পতা সভাবোৰত সেই বিষয়ে "ৰিজলিউচন" বা প্ৰস্তাৱ "পাছ" অৰ্থাৎ গৃহীত হয়, আৰু তেওঁলোকে লেখা বাতৰিকাকত আৰু মাহেকীয়া কাকতত সেই বিষয়ে লেখি ছপোৱা প্ৰবন্ধ বা ৰচনা ওলায়। এনে মুখৰ মহলা আৰু তুলাপতীয়া আন্দোলন দুজন ৰকমৰে হব লাগিছে বুলিব লাগে। কিন্তু কামত হলে আমি একোটোকে দেখিবলৈ পোৱা নাই বুলিলে সঁচা কথাৰপৰা আঁতৰত নপৰোঁ। চোচিয়েল কন্ফৰেন্স নাইবা কংগ্ৰেচত ডিপ্ৰেচড্‌ ক্লাচৰ উদ্ধাৰৰ অৰ্থে দীঘল বক্তৃতা কৰি আৰু আমাৰ ভাৰতীয় বি, এ, এম, এ,



উকিল, বেৰিষ্টৰ, ডাক্তৰ, সদাগৰ, হাকিম, আমোলাসকলে, ঘৰত আৰু সামাজিক কাৰ্য্যাদিত "ডিপ্ৰেচড্‌ ক্লাচক" "ডিপ্ৰেচড্‌" পেৰিয়া কৰি ৰাখিয়েই মহাসুখে জীৱনযাত্ৰা নিৰ্ব্বাহ কৰি থকা দেখিবলৈ পোৱা যায়।

***

এনেটো কাৰ্য্য ভাল হৈছে নে? শিক্ষিত আৰইয়া আৰু ডেকাসকলে নিজক দেশৰ নেতা, সমাজৰ নায়ক, সৰ্ব্বসাধাৰণ সকলুৰীয়াৰ ভিতৰত নিজক বৰমুৰীয়া বুলি ভাবে; কিন্তু গেজুত ধৰি বল নিদিয়া, মুখেৰে বক্তৃতাত উদাৰ হৈ কোপ্‌ৰুহ-পৰ্ব্বত বিদাৰ কৰি ফুৰিবলৈ যোৱা এওঁলোকৰ গঢ়-গতিয়ে এওঁলোকক নেতা প্ৰমাণ নকৰি খোটা, আৰু নায়ক প্ৰমাণ নকৰি "গৰ্‌লায়ক" আৰু বৰমুৰীয়া প্ৰমাণ নকৰি হাতীমুৰীয়াহে প্ৰমাণ কৰে। কথায় কামে এক হোৱাটো আৰু হবলৈ পুৰুষাৰ্থ কৰাটোহে শিক্ষিত ভদ্ৰলোকৰ লক্ষণ।

***

আন দেশত এই বিষয়ে নেতাসকলে মুখৰ মহলাকে মাৰে, আমাৰ দেশত কিন্তু সিও নাই। গল-বাৰৰ আগৰবাৰৰ আসাম কন্‌ফৰেন্সত এই বিষয়ে কথা উঠিছিল যদিও এইবাৰ হৈ যোৱা কন্‌ফৰেন্সত আৰু নুঠিল। এইটো দেশৰ উন্নতিৰ বাটত "আগেহে" নে, "পিছু" নে, "বৈঠ"? "ডিপ্ৰেচ্‌ড"সকলক চিৰকাল ডিপ্ৰেচ্‌ড্‌ কৰি ৰাখি, স্বদেশক উন্নত কৰিব বুলি যিসকল দেশউদ্ধাৰকে ভাবিছে, তেওঁলোক Inhabitants of fool's Paradise অৰ্থাৎ আহৰাৰ স্বৰ্গৰ অধিবাসী হব পাৰে, কিন্তু ভূমণ্ডলৰ হলে নহয়।

•••

ৰামো নাই, অযোধ্যাও নাই। আগৰ হিন্দু সমাজও নাই, হিন্দু ৰজাও নাই। কুৰি শতিকা, ইংৰাজ ৰজা, পাশ্চাত্য শিক্ষা। হিন্দু নেতাই ইচ্ছা কৰক বা নকৰক, এইবোৰ হিন্দু-সমাজে আনন্দেৰে গিলিছেই, আৰু তাৰে দীঘল-ডাঙৰ হৈছেই। ওপৰ থাপৰ হিন্দুৱে আনন্দ কৰি এই নতুন সভ্যতা, শিক্ষা আৰু অৱস্থা উপভোগ কৰি, তলথাপৰ বেলিকা তলথাপৰ মানুহৰ ওপৰত "জগদ্দল পাথৰ"টো দি তেওঁলোকক হেঁচা মাৰি ধৰি থাকি নিজক বিমানকে ওখ কৰিবলৈ যাওক, সি কথা কিন্তু নেচেল; কাৰণ পাশ্চাত্য শিক্ষা, সভ্যতা আৰু ৰাজ প্ৰভাৱ আৰু সমদৰ্শী আইনৰ প্ৰভাৱৰ পানী লাহে লাহে সৰ ক সৰতি,

জৰি জৰি, সেই শিলৰ তলত পৰি থকাসকলৰ কাষ পাই সি তাত এনে Explosive substance সম্বন্ধে ফুটি ওলোৱা পদাৰ্থ প্ৰস্তুত কৰিব লাগিছে যে শিলচটা "জগদ্দল" হলেও তাক একেচাটেই ভাঙি-ছিঙি উৰাই জগতৰ চাৰিউ-ফালে এদিন পেলাই দিবই। এতেকে তেওঁলোক সময় থাকোঁতেই সাৱধান হোৱা ভাল।

•••

আমাৰ দেশৰ "ডিপ্ৰেচ্‌ড্‌ ক্লাচ"ৰ উদ্ধাৰৰ নিমিত্তে ব্যৱস্থা আমাৰ উদাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে শ্ৰীমাধৱদেৱে আৰু আৰু আনেও কৰি গৈছিল, তেওঁলোকৰ প্ৰচাৰিত ধৰ্ম্মক ধৰি হৰিত ভক্ত হৈ সদাচাৰ আৰু সুনীতিপৰায়ণ হোৱা তল থাপৰ লোকক তেওঁলোকে আচৰণীয় আৰু শুদ্ধ কৰিবলৈ ওপৰলৈ তুলিছিল। তেনে মানুহ আমাৰ অসমত ওখ জাতৰ ভিতৰত সোমাই পৰা আজিও অসংখ্য আছে। শ্ৰীদামোদৰদেৱেও শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱৰ আহিত চলি অশুদ্ধক শুদ্ধ কৰি ওপৰলৈ তোলাৰ উদাহৰণ "গুৰুলীলা" পুথিত জল্‌জলীয়া হৈ আছে। তেওঁ যেতিয়া পাৰ হৈ যোৱাৰ পাছত কুকুৰা পাহৰি খোৱা পোৱা মানুহ এঘৰত ৰাতি থাকি, তাক সদাচাৰী কৰি শৰণ দি জাত কৰি শুদ্ধ কৰি লৈছিল।—গুৰুলীলাৰ পৰা আমি সেই কথাৰ শাৰীকেইটা তুলিলোঁ—

"প্ৰভু পাৰ ভৈলা, কতদূৰ গৈলা, দেখি বেলি অপ্ৰমাণ।
একগোটা ভ্ৰম গৃহস্থক পাইলা, ৰহিলন্ত তাৰ স্থান॥
সি বাজাৰ লোকে ঘৰে পুষে সবে কুক্কুট হংস শুকৰ।
অখাদ্যক খায় প্ৰবৰ্ত্তে স্বেচ্ছায়, দেখিলন্ত দামোদৰ॥

তেওঁ সেই গৃহস্থক কলে—

"তযু গৃহে আমি অতিথি ভৈলোঁহো, স্থান দিয়া ৰহিবাৰ

• • * •

"কিন্তু এক বোল শুনিয়ো আমাৰ, হৰিত লৈয়ো শৰণ।

গৃহস্থই হৰিত শৰণ লবলৈ নিশ্চয় কৰি

"যত হংস পাকৰা কুক্কুট শুকৰ সবে দূৰ কৰিবোঁ।

* • • •

প্ৰভুৰ চৰণে দণ্ডবত কৰি লৈলা হৰিত।
দেখিয়া তাহাৰ ভাব প্ৰভুদেৱ প্ৰেমে ভৈলা ৰোমাঞ্চিত॥



আত্ম শান্ত কৰি তাহাক সাদৰি লৈলা প্ৰভু দামোদৰ॥
কৃপা কৰি তাক মুল মন্ত্ৰ দিলা, সংসাৰ পাৰ দেখালা।
পদ জল পান কৰি পদ ৰেণু শিৰত আনি মুছিলা।
বলদেৱ পৰমানন্দ ভ্ৰমৰিয়া আদি আতা সকল।
নমস্কাৰ কৰি পদ ধূলা লৈলা, বহিলা যমৰ ঘৰ॥
আতঅনন্তৰে প্ৰভু দামোদৰে আনন্দে ভোজন কৰি।
কতিপয় দিন তাঁহান গৃহত ৰৈলা সন্তৰূপে হৰি॥
ইদানীক তাৰ গৃহতে প্ৰবৰ্ত্তে মহাধৰ্ম্ম ভাগৱত।
বেহাৰক যাস্তে সন্ত সাধু সবে ৰহন্ত সেহি থানত॥"

•••

দামোদৰদেৱে তেওঁৰ শিষ্য প্ৰধান আতা পৰমানন্দ আৰু বলদেৱৰ দ্বাৰা এনে উদাৰ নীতি প্ৰবৰ্ত্তন কৰি তল জাতৰ মানুহক শুদ্ধ কৰি আচৰণীয় কৰি সমাজভুক্ত কৰি লৈছিল; আৰু আজিৰ তেওঁলোকৰ ধৰ্ম্মাচাৰ্য্যসকলে, আন নেলাগে,নদীয়াল অৰ্থাৎ কৈৱৰ্ত্ত জাতিৰ লোককো শুদ্ধ কৰি আচৰণীয় কৰি নলয়। দামোদৰদেৱ, পৰমানন্দ আৰু বলদেৱ, এওঁলোকতকৈ আজিৰ তেওঁলোকৰ উত্তৰাধিকাৰী গোসাঁই অধিকাৰসকল বেছি পবিত্ৰ, আৰু বেছি উদাৰ!—নহয় নে পাঠকসকল? সেই কাল আৰু এই কাল, এই দুইটা মিলাই চোৱাঁ, আৰু কোৱাঁ,—আমাৰ কেনে উন্নতি!

•••

আজিকালিৰ ওখ জাতৰ শিক্ষিতসকলৰ অনেকে লুকাই কুক্কুট শূকৰ নে নাখায় এনেও নহয়, অথচ তেওঁলোকে কৈৱৰ্ত্তসকলক, (যিসকল সেই অখাদ্যৰ ওচৰলৈকে নাযায়, যিসকলে হৰিত শৰণ লৈ সদাচাৰী হৈ আছে) অশুদ্ধ কৰি হেঁচামাৰি তলত পেলাই থয়!' অনেক সময়ত এই শ্ৰেণীৰ শিক্ষিত শিষ্য বাম বিষয়াসকলৰ ভয়ত গোসাঁইসকলেও ডিপ্ৰেচ্‌ড্‌ ক্লাচৰ মানুহৰ প্ৰতি উচিতটো কৰিব নোৱৰা হয়। পাঠক! অসমীয়া শিক্ষিতসকলৰ পৰা আমাৰ কেনে উন্নতি, আকৌ চাই লোৱাঁ।

সম্পাদক।

## গান।

(সাদি) মৰমৰ কঁপনি হিয়াত উঠিল,
নাবাজিল প্ৰিয়ৰ হাঁহি,
প্ৰেমৰ মৃদঙ্গ হিল্লোলে পৰাণ
ক'ৰাবৈ নিনিলে ভাহি,
বন্ধু আহিবৰ আগলি বাতৰি
নিদিলে সন্ধিয়াৰ তৰা,
একান্ত মনেৰে প্ৰিয়ক নিধিয়ালা,
—তুমি জীয়ন্তে মৰা;
হে বন্ধু! তুমি জীয়ন্তে মৰা।

তুলসীজুপিৰ তলত চাকিটি
কৈ দেখিবৰ বেলি,
প্ৰিয়ৰ মঙ্গল কামনাৰ স্তুতিটি
যদি তুমি গলা ভুলি;
—কি কাম জীৱনে, কি কাম মৰণে,
মৰণ জীৱন একে,
জীৱনৰ প্ৰেম সাদৰী স্তুতিটি
আৰু কি ৰবলৈ থাকে?
হে বন্ধু! আৰু কি ৰবলৈ থাকে?

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

———



## এৰি মুগা।

আসামত এৰি মুগা বৰ বেছি পৰিমাণে এসময়ত থাকিলেও বৰ্ত্তমানে লাহে লাহে টুটি আহিছে। কিন্তু টুটি আহিছে ইয়াৰ কাৰণো একো অনুমান কৰি ধৰিব নোৱাৰিলোঁ। সিদিনা বাঁহীত দেখিলোঁ এইবোৰ বিষয়ৰ উন্নতি কৰিবলৈ হলে হেনো ডাঙৰ এটা ফণ্ড লাগে। আৰু সেই ফণ্ড হেনো সকলো অসমীয়াৰপৰা বৰঙণি তুলিলেহে হব। অবশ্যে কোনো কাম কৰিবলৈ গলে টকা আৱশ্যক সঁচা। কিন্তু বৰ্ত্তমানে এৰি মুগাৰ উন্নতি কৰিবলৈ গলে প্ৰথমেই টকাৰে কিবা উন্নতি কৰিব নে নাই মানুহৰ আৱশ্যক। আমাৰ বিশ্বাস টকা আৰু মানুহ দুইবো আৱশ্যক। প্ৰথম এনে কেইজনমান মানুহ লাগে যি এৰি মুগাৰ সুতা নতুন প্ৰণালীৰে ভালকৈ অলপ সময়তে বেছি পৰিমাণে কাটিব পাৰে। আৰু কাপোৰ বব জনা নতুন ধৰণৰ তাঁতশালেৰে সৈতে যদি কেইজন-মান মানুহে আসামৰ ঠায়ে ঠায়ে কাপোৰ ববলৈ শিক্ষা দিয়ে তেন্তে সোনকালে এৰি মুগাৰ উন্নতি হব। নহলে এৰি মুগাৰ উন্নতি কৰা কঠিন।

বৰ্ত্তমানে আমাৰ ছোৱালীবিলাকে এৰি মুগা কটা আদি কাম জানক ছাৰি তাঁতশালো চিনিব নোৱৰাত পৰিছেহি। যিবোৰে ছোৱালী স্কুলত পঢ়ে তেওঁবিলাকে সাধাৰণ কিছুমান উলৰ কামৰ বাহিৰে—বোৱা কটা নজনাত পৰিছে। কাপোৰ বোৱাটো আন দেশত নহলেও বিশেষকৈ আসামত ই অসমীয়াৰ জাতীয় বৃত্তি, ইয়াক বঙ্গালৰপৰা ভিক্ষাৰীৰ ছোৱালীলৈকে সকলোৰে শিকিব পাৰে। বালিকা-স্কুলত ছোৱালীবিলাকক নতুন প্ৰণালী নহলেও আগৰ আমাৰ পুৰণি প্ৰণালীকে শিক্ষা দিলে কাৰো একো আপত্তি নাথাকিব। বৰ্ত্তমানে আসামত এনে নিয়ম আছে যে বজাৰ ছোৱালী হলেও বিয়া দিলে লগত এখন তাঁতশাল দিব লাগে। এনে স্থলত স্কুলত ছোৱালীক কাপোৰ ববলৈ নিশিকোৱাটো ভাল কাম হৈছে নে? নিশিকোৱাৰে ফলত লাভ হৈছে এই যে ছোৱালীয়ে ঘৰৰপৰা কাপোৰ ববলৈ শিকি যোৱা দূৰৰ কথা বোৱাৰী হৈ দুই চাৰিটাৰ মাইকী হোৱালৈকে শাহুৰ মাত খাই কাপোৰ ববলৈ ভালকৈ শিকিব নোৱাৰে। বৰ্ত্তমানে ৰোলে অনেক ঠাইত নতুন প্ৰণালীৰে কাপোৰ বৈ সোনকালে অনেক কাপোৰ উলিয়াব পাৰে। আমাৰ ইয়াতো ছোৱালী-বোৰক তেনে কাম শিকালে এৰি মুগা আদিৰ উন্নতি হব।

আগামত অসমীয়া প্ৰণালীৰে তৈয়াৰ কৰা পাটৰ কাপোৰ বহুত বিদেশীয়ে নলাগে। কিন্তু আজি যদি কোনোবা এটা মানুহে বিদেশলৈ পঠাবৰ বাবে একে লগে কিছুমান পাটৰ কাপোৰ বিচাৰে তেন্তে পাব নে? আমাৰ বিশ্বাস তেওঁ এনাৰে কমে গোটাব নোৱাৰিব। কাৰণ আমাৰ ইয়াত হেনো পাটৰ কাপোৰকে তৈয়াৰ কৰিব জানে কেইজনী ছোৱালীয়ে? আৰু আমাৰ ইয়াত এটা দোষ এই যে কাপোৰ বোৱা কামটো একেবাৰেই তিৰোতাৰ হাততে পেলাই থোৱা হৈছে। ইয়াৰ উন্নতি নোহোৱাৰ কাৰণ আৰু এটা এই যে বৰ্ত্তমানে আমি আমাৰ তিৰোতাক অসমীয়া চকুৰে চাবলৈ এৰিছোঁ, আনত নহলেও পিন্ধন-উদনত। আমি আমাৰ তিৰোতাৰ সাজ চাবৰ পৰত বঙালীৰ চকুযোৰ পুৱাই লওঁ সেইদেখিয়েই শাৰি নোমাই আমাৰ তাঁতশালবো শেষ কৰিবলৈ ধৰিছে। শাৰিয়ে এৰি মুগাতো হাত দিছে। কাৰণ শাৰি তৈয়াৰে মেখেলা এৰিছে; মেখেলা এৰিলেই তাঁতশালৰ দিনান আৱশ্যক নকৰে, কিয়নো আন ব্যৱহাৰৰ কাপোৰ দোকানত পোৱাই যায়। শাৰি হলে এখনেই চলে, বৰও নেলাগে আৰু এৰি মুগা পাটবো আৱশ্যক নকৰে। মেখেলা পিন্ধিলে প্ৰায় তিৰোতাৰে কপাহীৰ পিন্ধিবলৈ বেয়া পাব। সেই গতিকেই আগেয়ে যেনে তেনে পৰিশ্ৰম কৰি মুগা, পাট কিম্বা এৰিৰ মেখেলা বৈ তৈয়াৰ আৰু সততৈকে মুগাৰ ব্যৱহাৰ কৰিছিল এতিয়া তাৰ সলনি শাৰি পিন্ধিছে। আমি ধৰি যদি শাৰি এনে হেতেন্তে অনুমান কম পক্ষেও গোটেই আসামত ১০০০০ দহ হাজাৰ মান টকাৰ বিহা মেখেলাৰ আৱশ্যক হব। আৰু এই টকাবোৰ আমাৰ ইয়াতে নাথাকিব নে? গতিকে শাৰিও, এৰি মুগা আদিৰ উন্নতিৰ পথ বন্ধ কৰাতো নহয় নে?

এৰি মুগাৰ উন্নতি কৰিবলৈ আৰু কেইটিমান কাম কৰিব লাগিব। (১) সূতাকটা আৰু বোৱাৰ উন্নত প্ৰণালী। (২) ইয়াত তৈয়াৰ হোৱা কাপোৰবোৰ বিদেশলৈ পঠিয়াবৰ সুবিধা কৰা। যেয়ে নহলে উন্নতি নহয়। সিদিনা আমি নগাঁও ট্ৰেডিং কোম্পানিত যি কেইখন পাটৰ কাপোৰ দেখিছোঁ তেনেকুৱাবোৰ কাপোৰ বিদেশলৈ গলে নিশ্চয় বিক্ৰি হব। বিশেষ মেখেলা এনেকুৱাবোৰ বস্তু বিদেশত দেখুৱাওঁতা কোনো অসমীয়া কোম্পানী নহলে অসমীয়া মানুহৰ উ[illegible] দুৰ্দশা হব।



আমাৰত বৰ্ত্তমানে অনেক মৰাপাট পোৱা যায় কিন্তু মৰাপাটৰ কাৰবাৰ অসমীয়াই কিমান কৰিছে। এনেকুৱা ডাঙৰ কাৰবাৰ অসমীয়াৰ হাতত কেইটা? চাহ বাগিছা কেইখন বাদ দিলে নোধকৰোঁ আন কাৰবাৰ নাইকিয়াই হব হবলা। আনে দেখুৱা মানেনৈকে অসমীয়াৰ চকু নগৰে। আনে দেখুৱালে এখুণত চুৰুপ কৰি ওলায়।

বৰ্ত্তমানে আমাৰ পাট আৰু মুগাৰ সূতা কাটিবৰ উন্নত প্ৰণালী উলিয়াবৰ নিমিত্তে চেষ্টা কৰিলে দাক্ষীণৰ লাহে লাহে হৈ আহিব। সিদিনা পূজাৰ বন্ধত জাপানৰ পৰা ঘূৰি অহা শ্ৰীযুক্ত গোলোকচন্দ্ৰ বৰুৱাৰ লগত কথা হওঁতে কথায় কথায় ওলাল যে মুগা আৰু পাট সূতা কাটিবৰ উন্নত উপায় নাইনে? তেখেতে কলে যে কলৰ বাহিৰেও নিজ হাতেৰে কাটিব পৰাৰ ভাল উপায় আছে, তেখেতে তেনে নিজে কাটিও পাৰে। তেনেকুৱা এটা সজুলিৰ দাম জাপানৰ পৰা অনালে বোলে ৩০, ৪০, টকাৰ বেছি নহয়। গৱৰ্ণমেণ্টে যদি তেখেতক তেনেকুৱা এটা সজুলি অনাই দি সকলোকে শিকাবলৈ দিয়ে তেন্তে ভাবপৰা আমাৰ উন্নতি নহবনে? লগে লগে যদি দুই চাৰিজনক ভালকৈ কাপোৰ ববলৈ শিকাই অনাই শিক্ষা দিয়ায় তেন্তে এৰি মুগা পাট আদিৰ উন্নতি নহবনে? আৰু লগে লগে যদি আমাৰ শিক্ষিত ছোৱালীবিলাকে তেওঁবিলাকৰ হাতৰপৰা শাৰি আঁতৰাই পথ তেন্তে আনবিলাকেও নেৰিবনে? শাৰি এৰিলে আমাৰ বহুত পইচা ঘৰতে নৰয় নে? ছোৱালীবিলাকক কাপোৰ ববলৈ শিকালে আমাৰ ব্যৱহাৰিক কাপোৰকানি ঘৰতে তৈয়াৰ কৰি লব নোৱাৰিব নে? ঘৰত সকলো কাপোৰকানি তৈয়াৰ কৰি ললে অসমীয়াৰ পইচা ৰাখিব কিমান পাৰিব। অসমীয়াই আজিও খাবৰ নিমিত্তে বস্তু বিদেশৰ পৰা যায়। কাপোৰকানিৰো যদি বেছি পইচা ঘৰত নৰয় তেন্তে অসমীয়াই কাৰ মুখলৈ চাব। আগৰ দিনৰ লগত বৰ্ত্তমান দিনৰ অসমীয়াৰ এয়ে প্ৰভেদ। আগেয়ে বিদেশৰপৰা টকা পইচা আহিলেও বিদেশলৈ নগৈছিল। বৰ্ত্তমানে তাৰ ওলোটা হৈছে। ইয়ানেতে যদি আমি আমাৰ হাতত থকা বিদ্যাটিকা এৰি দিওঁ তেন্তে আমাৰ আৰু হাবহে ওলাব।

শ্ৰীপুলেশ্বৰ মহন্ত।

# পুৰণি গীত।

(১)

শুনিয়া চাওৱা মন ভাবিয়া চাওৱা মন।
চাকণ চিকণ কম্পে দেহা মিছা মৰম হৰি মিছা মৰম॥
আজি ভজোঁ কালি ভজোঁ আলোচনে যায়।
কোনোনা দিনে দেহা পৰে থানথিত নাই॥
সুবৰ্ণৰ কাঠি কাঠী মাণিকৰ কদা।
তাত বহি ভোজন কৰে সগুণ বপুৰা॥
কাউৰী কন্দলী হল, শৃগাল মহা দানী।
শৃগালে দোকান দেই মাংস খায় টানি॥
পকৰা পিপৰা সবে খান্দি তোলে মাটি।
জোৰাই জোৰাই থহি পৰে শৰীৰৰ গাঁথি॥
ভৱনদী পাৰ হৈ জীৱই থাকে চাই।
দেখা দেখা নৰ লোকৰ ভেলৰ বিলাই॥
ধন জন নকৰ আশা আতে বৰ পৰি।
পুত্ৰ ভাৰ্য্যাক নকৰ আশা লগে নাযাই মৰি॥
মিছা ঘৰ মিছা বাৰী মিছা লেনা দেনা।
মিছা কামে হলোঁ বন্দী হৰাল চেতনা॥

(২)

এও হ'ৰে ইটো দেহা পৰে, দেহা নাই আপোনাৰ
জীউ নাই জানিবা নিশ্চয় কৰি।
মাহুক ধৰিয়া অনেক যতনে দীঘলি সাজিলা খোল।
জীউকে ধৰিয়া অনেক যতনে পাতিলোঁ মায়াৰে দোল॥
সকৰেপৰা যে মই ঘৰ সজাইলোঁ,
ইটো মূৰৰে পকাইলোঁ চুলি।
মৰিবাৰ বেলিয়া বাজ উলিয়া থোৱে
ইন্দুৰ চুৱা যাইব সুলি॥



বাৰীৰ পাছৰে জাতি বাঁহজুপি,
সেই মোৰ সাদৰৰ ভাই।
জীয়াত থাকিলে কৰে খুটা কামি
মৰিলে লগতে যায়॥
সৰু ঘৰ বান্ধিলোঁ, বৰ ঘৰ বান্ধিলোঁ,
নিজ ঘৰৰ মনতে নাই।
যেতিয়াই আহিব নিজ ঘৰৰ সাজতি
অকাৰণ কান্দে বাপা ভাই॥
হাবিৰে মৰা থবি নাবান্ধ বৰ কৰি
পুৰিলে হৈ যাব ছাই;
মৰাজন মৰিলি নাকান্দ বৰ কৰি
কান্দিলে পাবৰে নাই।
নদীৰে কাষৰে উত্তল চাপৰি
তাতে থাকে মনাই শুই।
চিতাতে তুলিয়া সাত বেৰ ঘূৰিও এ
কোন সতে লগাম জুই॥

শ্ৰীদুৰ্গানাথ বৰুৱা।

---

# গোটাচেৰেক কথা।

## পৃথিবীত সকলোতকৈ ধনী কোন ?

ৰকফেলাৰ, মৰ্গান, ৰথচাইল্ড-আদি পৃথিবীৰ ভিতৰত অতি ধনী বুলি জন-জাত; কিন্তু "লিটাৰেৰি ডাইজেষ্ট" নামেৰে এখন পত্ৰিকাই দেখুৱাইছে যে এওঁ-বিলাক ৰুচিয়া সম্ৰাটৰ সমান ধনশালী নহয়। তেওঁৰ দৈনিক আয় ত্ৰিশ লাখ টকাতো অধিক আৰু মূলধন নো কিমান হ'ব তাৰ সংখ্যা পাবলৈ টান। ৰুচ সম্ৰাটৰ নিজ নামত কোটী কোটী বিঘা মাটি আছে আৰু তাৰ ভিতৰত অনেক

ৰকমৰ ভাণ্ডৰ ভাণ্ডৰ খনিও পোৱা গৈছে। চৰ্কাৰি ৰাজধনভঁৰালৰপৰা তেওঁ বছৰি তিনি কোটী টকাতকৈও সৰহ পায়।

সম্ৰাটে নিজৰ টকাৰে প্ৰায় ১০০ ৰাজকীয় কাৰেংঘৰৰ ব্যয়ভাৰ চলাই থাকে। তেওঁৰ অধীনত ত্ৰিশ হেজাৰ দাস দাসী নিযুক্ত। দাস দাসীৰ বেতনৰ বাহিৰেও আৰু ৩০০ মটৰ গাৰী আৰু ৫০০০ ঘোঁৰা আদিৰ খৰচ তেওঁ নিজে বহন কৰে। চাইবেৰিয়াৰ সকলো খনিয়েই কচ সম্ৰাটৰ নিজৰ হাতত।

আজিকালি লক্ষপতিসকল বিশেষ বিশেষ ধনীলোকৰ শাৰীৰপৰা এৰা পৰিছে। কোটী কোটী টকাৰ অধিপতিসকলে এতিয়াৰ দিনত ধনী বুলি পৰিগণিত হৈছে।

## ঘৰি চাবি দিয়াৰ যন্ত্ৰ।

"ৰিভিও ৰিবাক্ছ" নামেৰে এখন মাৰ্কিন পত্ৰিকাত প্ৰকাশ যে আমেৰিকাৰ নিউইয়ৰ্ক চহৰৰ কোনো এখন ঘৰি ভাল কৰা দোকানত দিনে গড়হিচাপে ৭০০ ঘৰি চাবি দিব লগীয়া হয়। অকল এই কামৰ নিমিত্তেই আগেয়ে কেইটামান মানুহ ৰখা হৈছিল। কিন্তু বৰ্ত্তমান এক ৰকম বিদ্যুৎযন্ত্ৰ কৰাই এই কাৰখানাত মানুহ নলগাকৈয়ে বিদ্যুৎশক্তিৰ বলত এই ঘৰি চাবি দিয়া কাম ভালকৈ চলোৱা হৈছে। বিজ্ঞানে যে আজিকালি কি কি আচৰিত কাম কৰিছে, সেই বিষয়ে এখন্তেক ভাবিবলৈ গলেই নিজক পাহৰি চকু-পৰা মানুহৰ দৰে হ'ব লগাত পৰে।

## উৰিযোৱা ৰথেৰে ডাক যোগোৱা।

বৰ্ত্তমান আমেৰিকাৰ ডাকঘৰ বিভাগৰ জনচেৰেক বৰ-মূৰীয়াই আকাশেদি উৰি যোৱা ৰথৰ সহায়েৰে পূব পচিম অঞ্চলৰ খনচেৰেক ঠাইত ডাক যোগোৱা কথাটোৰ বিষয়ে প্ৰস্তাৱ কৰিছে। এতিয়া সেইবিলাক ঠাইত অৰ্থাৎ দ্বীপত মেইল-ষ্টিমাৰৰ দ্বাৰাই ডাক অনানিয়া কৰা হৈ আছে। বহুতে জানে যে চেচা দেশত সাগৰৰ আন্দেমান ঠাইত পানী গোট মাৰি বৰফ হয়; আৰু তেতিয়া সেইবিলাক ঠাইত নাও জাহাজ আদি চলোৱা টান হৈ পৰে। আমেৰিকাৰ পূব পচিম অঞ্চলৰ এই দ্বীপবিলাকলৈকো জাৰ কালি অহা যোৱা কৰা টান হৈ পৰে, কাৰণ চাৰিও ফালে থকা সাগৰৰ পানী জাৰৰ কোবত গোট মাৰি বৰফ হৈ পৰে; কাজেই সময়ে সময়ে জাহাজ আদি নিয়া বন্ধ হৈ পৰে। আকাশেদি উৰি যোৱা ৰথেৰে ডাক নিয়াটো হলে বিপদ আৰু এই দুৰ্দ্দিনত পৰিব নেলাগিব; আৰু আজি-কালি বৈজ্ঞানিক দিনত আকাশেদি ৰেল জাহাজ আদিতকৈ অনেক প্ৰচণ্ড বেগেৰে যোৱাটো কোনো কথাৰ কথাই নহয়।



## বিনা অস্ত্ৰেৰে যুদ্ধ।

তাৰবিহীন টেলিগ্ৰাফৰ আৱিষ্কাৰক মিষ্টাৰ মাৰ্কোনিয়ে কয় যে ভৱিষ্যতলৈ যুদ্ধ ক্ষেত্ৰত বৰটোপ, হিলৈ, উধনীয়া গুলি আদি ব্যৱহাৰ নকৰিলেও চলিব। তেওঁ কয় যে কল্পনাত যিটো সম্ভৱপৰ বোধ হৈছে তাক যদি কাৰ্য্যত পৰিণত কৰিব পৰা যায়—তেনেহলে এনেকুৱাবিলাক বৈদ্যুতিক যন্ত্ৰাদি আৱিষ্কাৰ কৰিব পাৰি যাৰ দ্বাৰাই কেৱল এজন মানুহেই দুডাল তাৰৰ যোগেৰে অনেক দূৰেদি যোৱা যুদ্ধৰ জাহাজ আদি ওকৰাই দিব পাৰিব। প্ৰকাণ্ড প্ৰকাণ্ড বৰটোপ আৰু গুলি, খাৰ, বাৰুদ আদিৰ কাৰখানাবোৰ এক মিনিটতে ধ্বংস কৰিব পৰা যাব। বৰ্ত্তমান যুদ্ধত অৱলম্বন কৰা প্ৰাণনাশক উপায়বিলাতকৈই যে কিমান গুণে চৰা হ'ব, এই কথাত প্ৰত্যেক ভাবুকৰ গা জিকাৰ মাৰি উঠিব। যি বিজ্ঞানে মানৱ সমাজৰ উন্নতি সাধন কৰিছে, সেই বিজ্ঞানেই ইফালে আকৌ প্ৰাণনাশক হৈ থিয় হব! ঈশ্বৰৰ কি বিচিত্ৰ সমস্যা!

## ধঁপাত খাওঁতাসকলৰ লক্ষণ।

তলত কোৱা কথা কিছুমান "যুগলকণ" নামেৰে এখন কাকতত আছিল। যেতিয়া মানুহে ধঁপাতৰ ধোঁৱা নিশ্বাসৰ লগত ভিতৰলৈ টানি নি নাকেদি উলিয়াই দিয়ে, তাৰপৰা তেতিয়া কলিজাত "নিকোটিন" নামেৰে এবিধ বিষ উৎপন্ন হয়। ধঁপাত খোৱা মানুহৰ হাতৰ আঙুলী বিবৰ্ণ হয় আৰু কঁপি থাকে; পিন্ধা কাপোৰ-কানিৰ বং "নিকোটিন" বিষৰ দ্বাৰাই এক ৰকম পৰিবৰ্ত্তন হয়। উশাহ লোৱা দুৰ্ব্বল হৈ পৰে; চকু, নাক, স্বৰ-যন্ত্ৰ, কলিজা আদিত নানা ৰোগ জন্মে। ধঁপাত খোৱাৰ সময়ত অন্তঃকৰণ উত্তেজিত হৈ নাড়ীৰ গতি বৃদ্ধি কৰে আৰু আধাঘণ্টাৰ পাছত সোপাটিলা হৈ পৰে। নাড়ীৰ দুৰ্ব্বলতাৰপৰা চাঞ্চল্য ভাৱ, অনিদ্ৰা অসহিষ্ণুতা আৰু সকলো বিষয়তে অস্থিৰতা লাগে। মিছা কথা আৰু প্ৰবঞ্চনা কৰিবলৈ মন যায়, আৰু ডাঙৰ কাম হাতত লবলৈ এক ৰকম অনিচ্ছা ওপজে। ইন্দ্ৰিয় চৰিতাৰ্থ কৰিবলৈ ইচ্ছা বৰ প্ৰবল হৈ উঠে আৰু এই কাৰণেই ধঁপাত খোৱা মানুহ নানা কু অভ্যাসত লিপ্ত হয়।

শ্ৰীদামোদৰ হাজৰিকা।

## নুশুনা একেটি সুৰ।

সিদিনা তো আহিছিলা মোৰ কাষলৈ
মৰমতে চেনেহ-কাতৰা।
সিদিনা তো কৈছিলা মনৰ বেদনা
হৈ তুমি আপোন-পাহৰা।
সিদিনা তো হাঁহিছিলা চাই মোৰ পিনে
দূৰতেই মাৰিয়ে ভুমুকি।
সিদিনা তো ঠেহ পাতি যাক খুজিছিলা,
—প্ৰণয়ৰ উদাৰ চিনাকি।
সিদিনা যেতিয়া মই ভিক্ষা কৰিছিলোঁ
এটি চুমা লাজুকী গালত;
সিঁওনে নিদিওঁ কৈ তল মুৰ কৰি
পমি গলা যৌৱন-লাজত
সিদিনাতো তুমিয়েই
আমন-জিমন কৈ
নাগাধৰি গাঁথিছিলা মোৰ কাষলেই,
নেদেখ বেলিটি মাৰ নৌ যাওঁতেই।
সিদিনা আকউ যাক আহিব নে ঘূৰি,
কোনে আহি কৈ মোক যাব?
কোনে আহি হাঁহি মুখে তোমাৰ বাতৰি
এটিবাৰ মাথোঁ মোক কব?
ভাল পাওঁ এৰে মই ফুলৰ কলিটি,
ভাল পাওঁ ফুলা ফুলপাহি;
এটিত তোমাৰ যেন গুপুত মৰম
আনটিত তাৰে পূৰ্ণ হাঁহি!
বলিছে মলয় ধীৰে, আন্ধাৰ নামিছে,
জোনাবাই আহি দেখা দিব।
সৰগৰপৰা এটি প্ৰণয়ৰ ধাৰা
জগত নীৰৱে নামিব।



এটি ছুটিকৈ হাঁহি
তৰাকিটি ওলাবতি
অন্তৰ অমৰ সেই এক দৃষ্টি লৈ।
তোমাৰ কথাটি মোক কোনে যাব কৈ?
নুশুনা একেটি সুৰ নিতে বাজি থাকিব।
মৰতত এটি ক্ষুদ্ৰ মানৱে কান্দিব!

শ্ৰীৰাজেন্দ্ৰনাথ বৰুৱা।

---

# ঈশ্বৰোপাসনাৰ পিছত দিয়া বক্তৃতা।

আজি মোৰ মনত কি যে আনন্দ হৈছে তাক প্ৰকাশ কৰিব নোৱাৰোঁ। এই সুদূৰ আসামৰ প্ৰসিদ্ধ প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰলৈ (গুৱাহাটী) আহি আপোনা-সকলৰ লগত গোট খাই যে ভগৱানৰ উপাসনাত যোগ দিবলৈ সক্ষম হৈছোঁ ই কি অলপ সৌভাগ্যৰ বিষয়? আমাৰ জীৱনৰ সমুদয় কাৰ্য্যবিলাকত যে মঙ্গলময় ঈশ্বৰৰ মঙ্গল হস্ত দেদীপ্যমান তাত কণামাত্ৰ সন্দেহ নাই।

মহান্ ঈশ্বৰৰ করুণাৰ বাহিৰে আমাৰ আৰু আন গতি নাই। আমি যি পৰিমাণে ঈশ্বৰৰ লগত যোগ ৰাখি ঈশ্বৰৰ বিধান মানি চলিম, সেই পৰিমাণে আমি আমাক উন্নতৰপৰা উন্নততৰ পথলৈ লৈ যাবলৈ সক্ষম হম। ঈশ্বৰ জ্ঞানস্বৰূপ, মঙ্গলস্বৰূপ আৰু অনন্তস্বৰূপ। সেই মঙ্গলময় পৰমেশ্বৰৰ করুণাৰ অন্ত নাই। তেওঁৰ করুণাৰ ওপৰত আমাৰ সম্পূৰ্ণ বিশ্বাস্ থাকিব লাগে। সেই বিশ্বাসৰপৰা তিলমাত্ৰও বিচলিত হলে নচলিব। সদায় তেওঁক নিজৰ জন বুলি অন্তৰত অনুভৱ কৰিব লাগে। কেৱল পৰৰ ওপৰত নিৰ্ভৰ কৰি পৰৰ দ্বাৰাই পৰিচালিত হৈ চলিবলৈ গলে ঈশ্বৰ লাভ নহয়। ঈশ্বৰক নিজৰ অন্তৰৰ ভিতৰত অনুভৱ কৰিব লাগিব, দেখিব লাগিব। তেওঁৰ প্ৰভাৱৰ দ্বাৰাই নিজৰ জীৱনক অনুপ্ৰাণিত কৰিব লাগিব। বাস্তৱিক আমি কেৱল যে এই অনন্ত জ্ঞানৰ উৎসৰপৰা জ্ঞান-বাৰি পান কৰি নিজক মত্ত কৰিবৰ নিমিত্ত যত্নবান নহওঁ। আমাৰ ঈশ্বৰদত্ত শক্তিৰ দ্বাৰাই ঈশ্বৰক অনুসৰণ নকৰিলে এক মাথোন পৰৰ সাহায্যত ঈশ্বৰক লাভ

কৰিবৰ সম্ভাৱনা কেতিয়াও নহয়। প্ৰাণ ভৰি অন্তৰেৰে সৈতে ভক্তিভৰেৰে তেওঁক মাতা,—"তাঁহাৰি শৰণ লয়ে ৰহিও। শৰণ লয়ে ৰহিও। যাঁহাৰি কৃপায় খুলিলে নয়ন, তাঁৰে আগে দেখিও।" তেনেহলেহে এই মনুষ্যজীৱন সাৰ্থক হব। যেতিয়া এই দৰে আমি অখণ্ড, অব্যয়, মহান্ পুৰুষৰ নিকটবৰ্ত্তী হম, তেতিয়া আমাৰ কোনো বিশেষ ধৰ্ম্মসম্প্ৰদায় কি কোনো বিশেষ জাতিৰ অথবা কোনো বিশেষ পুস্তক কি বিশেষ লোকৰ আৱশ্যক নেথাকে। অৱশ্যে অনেক সময়ত সেই মহান্ পুৰুষক পাবৰ নিমিত্ত বিশেষ গ্ৰন্থ, কি বিশেষ লোকৰ বা বিশেষ ধৰ্ম্মসম্প্ৰদায়ৰ সহায়তা অৱলম্বন কৰিব লাগে। সেইবিলাক মাথোন গন্তব্যপথত যাবলৈ সহায় স্বৰূপ; সেইবিলাক আমাৰ পথ প্ৰদৰ্শক মাথোন।

ঈশ্বৰৰ আজ্ঞা প্ৰতিপালন কৰিব লাগিলে, ঈশ্বৰৰ বাণী শুনিব লাগিলে, নিজৰ হৃদয়ৰ অভ্যন্তৰস্থিত আত্মাৰ নিকটবৰ্ত্তী হব লাগিব। সেই নিমিত্তেই শাস্ত্ৰত কয় "আত্মানং বিদ্ধি", "Know thyself"। আত্মাক অৱলম্বন কৰিলেই পৰমাত্মাৰ উপদেশ প্ৰাপ্ত হব পাৰি। আত্মাই অন্তৰস্থিত পথ প্ৰদৰ্শক। যি আত্মাৰ বাণী, Conscience বিবেক, যাক Intuition বোলে সিয়েই পৰমাত্মা ঈশ্বৰৰ বাণী। সেই বাণীত কৰ্ণপাত কৰি চলিলে আমি জীৱনত কি কৰিব লাগিব কি কৰিব নালাগিব,তাৰ সন্ধান পাওঁ। নিৰ্ম্মীকণৰ কাটাৰ নিচিনা আত্মা সদায় সত্যৰ অনুগামী। আত্মাৰ বাণী অমঙ্গলকাৰী হব নোৱাৰে। ঈশ্বৰৰ বাণীত অমঙ্গল অন্যায়ৰ ঠাই নাই। আত্মাৰ বাণী অৱহেলা কৰি নিম্নতৰ প্ৰবৃত্তিবিলাকৰ কথাত কৰ্ণপাত কৰি আমি নানা দুখ যন্ত্ৰণাত পৰোঁহঁক। আমাৰ আত্মাক সততে পৰমেশ্বৰৰ জ্যোতিৰ দ্বাৰাই প্ৰদীপ্ত কৰি ৰাখিব পাৰিলে আৰু একোতেই ভয় নেথাকে। যি পৰিমাণে সেই অনন্ত মহান্ পুৰুষৰ জ্ঞান-জ্যোতিৰ দ্বাৰাই আমাৰ আত্মাক উজ্জ্বল কৰিব পাৰিম সেই পৰিমাণে আমি আমাৰ জীৱনৰ কাৰ্য্যবিলাকত প্ৰমাদশূন্য হৈ উন্নত হব পাৰিম। জীৱনক এই ভাৱে গঠিত কৰিব পাৰিলে আৰু আন কোনো ভয় নেথাকে। জীৱনৰ ই এক মহান্ শিক্ষা। Spirit of Infinite Wisdom অৰ্থাৎ সেই অনন্ত ঈশ্বৰৰ প্ৰবাহ প্ৰৱেশ কৰিবৰ নিমিত্তে আমাৰ হৃদয়ৰ দুৱাৰ মুকলি কৰি ৰাখিব পাৰিলে, আমাৰ হৃদয়ৰ শূন্য আসন ঈশ্বৰৰ অধিষ্ঠানেৰে পূৰ্ণ কৰিব পাৰিলেই সকলো দুখ দাৰিদ্ৰ্য দূৰীভূত হৈ যাব, বিমল আনন্দত হৃদয় পৰিপূৰ্ণ হব। তেতিয়া এই সংসাৰে সুখপূৰ্ণ শান্তিপূৰ্ণ হৈ এক অভিনৱ আকৃতি ধাৰণ কৰিব।



আহাঁ আজি আমি সকলোবিলাক গোটখাই পৰমেশ্বৰৰ চৰণত অৱনত মস্তক হওঁহঁক, হৃদয়ৰ মলিনতা দূৰ কৰি তেওঁৰ অপাৰ কৰুণা-প্ৰবাহত হৃদয় নিমজ্জিত কৰোঁহঁক, ভক্তিভৰেৰে নত শিৰেৰে তেওঁৰ আদেশ পালন কৰি আমাৰ জীৱন সাৰ্থক কৰোঁহঁক।*

শ্ৰীপ্ৰজ্ঞাসুন্দৰী দেবী।

---

## জোৰণৰ দিনা কইনাৰ ঘৰত গোৱা নাম।

চাউল চাটি মাৰি, ফুলাম পাটী পাৰি,
বাটীত ভৰাই থকা দৈ।
ভিতৰতে আছে চিকুণী আইটী,
মাকে মাতি আনাগৈ॥
কি কৰা উমা তুমি শয্যাৰে ওপৰ।
হৰৰ গৃহৰ প্ৰজা আহি ভৰিলেক ঘৰ॥
ওলাই আহাঁ চন্দ্ৰপ্ৰভা দুৱাৰদলিৰ বাজ।
সভাৰ মাজে বহাঁ আহি নকৰিবা লাজ॥
ওলাই আহাঁ গৌৰী আই বহাঁ থিৰ হৈ।
হৰৰ সেন্দুৰ পিন্ধা মনে ৰঙ্গকৈ॥
ওলাই আহাঁ আইদেও শুভক্ষণ চাই।
গণকে গণিয়া দিছে কোনে চৰি যায়॥
ওলাই আহাঁ চন্দ্ৰবালা মাতৃ আজ্ঞা লৈ।
আজি হয়ে পৰৰ হবা জানা নিশ্চয়কৈ॥
ওলাই আহি আইদেৱে পাটীতে বহিল।
সভাৰ গোপিনীসবৰ আনন্দ মিলিল॥
তলি তলিচাত বহিছে দলিয়া শৰাইলৈ মেলিচে চুলি।

---

* গত ডিচেম্বৰ ৯ গুৱাহাটীত ব্ৰহ্মমন্দিৰৰ বেদীৰপৰা দিয়া বক্তৃতাৰ অসমীয়া ভাঙনি।

দহো আঙ্গুলিতে ৰত্ন জ্বলিছে নেপূৰে ধৰিছে তুলি ॥
ললাতে সেন্দুৰ দিবা হাতত দিবা ফল ।
কঙ্কন বলয়া পিন্ধাই শিৰত দিবা ফল ॥
শিৰত সেন্দুৰ আইদেওৰ জিলিমিলি কৰে ।
সভাৰ মাজত চিকুণ আইদেও ৰত্ন যেন জ্বলে ॥
কৰ্ণত কুণ্ডল আইদেওৰ গলে সাতশৰী ।
সভাৰ মধ্যে বহি আছে দিব্য ৰূপ ধৰি ॥
কঁকালত কটিসূত্ৰ মুকুতাৰে মালা ।
হৃদয়ত জ্বলি আছে অৰ্দ্ধ চন্দ্ৰকলা ॥
আকাশে প্ৰকাশে যেনে পূৰ্ণ চন্দ্ৰকলা ।
সভাৰ মধ্যে জ্বলে তেনে শুকুমণি বালা ॥
আৰে—গলে জ্বলে গলপতা আইদেওৰ
সুন্দৰ চিতিপাতি ।
আৰে—দহো অঙ্গুলিতে জ্বলে আইদেওৰ
বহুৰে আঙঠি ॥
জিলমিল কৰে আইটী তিৰবিৰ কৰে ।
সভাৰ মাজত চিকুণ আইটী ৰত্ন যেন জ্বলে ।
হৰি কঁকালে চুলিটাৰ পৰে
ৰাম সীতাৰ নাম হৰি ৰাম সীতাৰ নাম ।
কি চাবা চিকুণ আইটীৰ কেশৰ যোলাম ॥
হৰি কপালে বৈ যায় ঘাম ॥
দেখ সখি হে, আইদেওৰ কেনে ৰূপ ।
ভুবন মোহিনী আইদেও গোৰীৰ স্বৰূপ ॥
দেখ সখি হে, আইদেওৰ কেনে শোভা ।
চৌপাশে আয়তী সবে পাতি থাকে সভা ॥
দেখ সখি হে, কিনো বিপৰীত ।
আকাশৰ চন্দ্ৰ যেন ভূমিতে বিদিত ॥



দেখ সখি হে, আইদেও কেনেকুৱা
চন্দ্ৰমাবদনী আইদেও মোহন প্ৰতিমা ॥
দেখ সখি হে, মলয়াতে লৰে ।
হৰৰ ডম্বৰু যেন কঁকাল মুঠিত ধৰে ॥
আইটীয়ে বোলে মোৰ এই ভাগ্য অনুপাম ।
কৌশল্যা যেন শাহু হব ৰামক স্বামী পাম ॥
হাত যে চিকুণ থাক অনেক বিচক্ষণ ।
দৰাঘৰৰ কটকী কইনাটৈ আনিছা কি ॥
(এইদৰে সকলো বস্তুকে বৰ্ণাই গাব পাৰি)

শ্ৰীপদ্মাৱতী দেৱী ফুকননী ।

---

# ব্যৱসায় ।

জীৱন ধাৰণৰ উপায়েই ব্যৱসায় । কমাৰ কুমাৰ সোণাৰি কৈৱৰ্ত্ত আদিৰ জাতিয় বৃত্তি আছে । ধোবা নাপিত তাঁতীৰ আমাৰ দেশত জাতীয় বৃত্তি নাই বুলিলেও হানি নাই । খোৱা কটা কাম আমাৰ সকলোৰে জাতত্ৰী বৃত্তি । খেতিটোও সকলোৰে ব্যৱসায় ।

আগৰ কালত আমাৰ দেশৰ প্ৰত্যেক ব্যৱসায়ৰ প্ৰত্যেক শ্ৰেণীৰ মানুহক একোটা খেল বোলা হৈছিল । চুহুঙ্গুং বা স্বৰ্গনাৰায়ণ ৰজাৰ দিনত মোমাই তামুলি বৰ বৰুৱাই পৃথক কামৰ নিমিত্তে পৃথককৈ মানুহ নিযুক্ত কৰি কামৰ শৃঙ্খলা লগাই দিছিল । আসামত জাতীয় বৃত্তিয়ে তেতিয়াই এটা নতুন গঢ় লয় । আজিকালি ৰ-ধৰীয়া, হিলৈদাৰী, টাঙ্গোন-ধৰা, শেন-চোৱা, কুকুৰাচোৱা, গুণাকটীয়া, সোণোৱাল, জৰাধৰা, ধেনু-চোচা, চৰাই-মৰীয়া, পাখী-মৰীয়া, মইনা-পৰীয়া, নাওশলীয়া, নাও-বৈদ্য প্ৰভৃতিৰ আগৰ বৃত্তি নাই । সোণাৰি, কাকতী, জালি-সজীয়া, খনিকৰ, কমাৰ, কহাৰ, বেজ আদিৰ ব্যৱসায় ছেলেঙি-ভেলেঙি হৈ পৰিছে । কাটনি, পটীয়া, নদীয়াল আদি গোটাচেৰেক বৃত্তিহে মাথোন একচটীয়া হৈ আছে ।

আমাৰ দেশৰ খেতিও উমৈহতীয়া। আন দেশৰ দৰে নিৰ্দ্দিষ্ট নহয়। ধান খেতিটোকে প্ৰায় সকলোৱে বিশেষকৈ কৰে। মাহ সৰিয়হ জলকীয়া বেঙেনা আলু কচু হালধি মচলা ধপাত আদিৰ খেতি কৃত্ৰিমালি বুলিলেও হানি নাই। ধান খেতি যাই, ইবোৰ পালিৰ লেখতহে। বঙ্গ বা আন দেশৰ দৰে মৰাপাট, ধপাত, নীল, আলুগুটি, মাহ আদি একেটা খেতি বাহুল্যকৈ কৰা নহয়।

কৃষি শিল্প বাণিজ্যৰ উৎকৰ্ষ সাধনেই জাতীয় উন্নতি আৰু দেশৰ উন্নতি। কৃষি শিল্পক সুচাৰুৰূপে পৰিচালনা কৰাই এটা জাতীয় ব্যৱসায়। ব্যৱসায় সংসাৰত প্ৰবৰ্ত্তন কৰাৰ এটা যাই উপায়। বৰ্ত্তমান ব্যৱসায়ৰ নিমিত্তে মূলধনৰ আৱশ্যক। বিশ্বাস আৰু একতা থাকিলে যুটীয়া কাৰবাৰটো ব্যৱসায় চলে।

ব্যৱসায় অনেক। কাক কোনটোৱে শুজে তাক নিজেই পুংখানুপুঙ্খৰূপে ভাবি চোৱা উচিত। কাৰণ সকলোৰে মূলধন আৰু মনৰ ভাব গতি সমান নহয়। ব্যৱসায়ৰ নিমিত্তে সাহস, সাধুতা, ধৈৰ্য্য আৰু পৰিশ্ৰমৰ আৱশ্যক। কৃষি আৰু শিল্পই দেশৰ ধন। যি দেশৰ কৃষি শিল্প যিমান উন্নত সেইদেশ সেই অনুপাতে চহকী। ইংলণ্ড কৃষিপ্ৰধান দেশ নহয়; আন কি ইংলণ্ডৰ কৃষিৰ উৎপন্নই তাৰ মানুহকে নোজোৰে। কিন্তু শিল্প বাণিজ্য প্ৰবল গুণে এতিয়া ইংলণ্ড মহতকৈ শিং চৰাব পৰেহে। কৃষি শিল্প ব্যৱসায়ত কেউফালে অপৈণত হৈছোঁ বাবেহে আমাৰ বৰ্ত্তমান দুৰৱস্থা। জীৱন ৰক্ষা, স্বাস্থ্য সভ্যতা আৰু গৃহকৰ্ম্মৰ আৱশ্যকীয় সামগ্ৰী বিলাকেই বেহা বেপাৰ বা বাণিজ্যৰ বস্তু। সেইবিলাকৰ অভাৱেই উন্নতিৰ প্ৰতিবন্ধক। যত ব্যৱসায়ৰ বস্তু বেছি প্ৰয়োজনীয় তাতেই ব্যৱসায় অধিক।

চাহ, এৰি, কাপোৰ, মুগাৰ কাপোৰ, ৰবৰ এঠা, বেত আদি আমাৰ দেশৰ ব্যৱসায়ৰ বস্তু। সেই বুলি এইবোৰৰ ব্যৱসায়ী কোনোবাহে। অন্ন চিন্তা ভয়ঙ্কৰী। নিজৰ আৰু দেশৰ অৱস্থা উন্নত কৰিব খুজিলে ব্যৱসায় এটাত আউজনি নললে নহয়; নিজ নিজ ব্যৱসায় একাণপতীয়াকৈ লাগিলেহে প্ৰকৃত কাৰ্য্য সমধা হয়, তেহে দেশৰ অভাৱ দূৰ হয়।

অতীতত ও গুণ কৰ্ম্মৰ ব্যৱধান অনুসৰিহে চাৰি জাতি ধাৰ্য্য হৈছিল। পুৰাতনীয়া প্ৰথামতেও সেই ব্ৰাহ্মণ ক্ষত্ৰিয়, শূদ্ৰ সেই চাৰি জাতি আৰু ধৰ্ম্ম আগৰ দৰে নাই। মানুহ মাত্ৰৰেই অভাৱ, উদ্দেশ্য আৰু আশা থাকিবই। জড়তা আৰু উদ্দেশ্য বিহীনতাকৈ কোনো জাতিয়ে উন্নতি কৰাৰ প্ৰমাণ নাই।



আমেৰিকাৰ এজন কৃষকৰ ডেকাই এম, এ পাছ কৰিও হেনো পৈতৃক বৃত্তি খেতিত লাগিছিল। তেওঁ সেই বিষয়ত যৎপৰোনাস্তি চেষ্টা কৰিছিল। অৱশেষত তেওঁ অশেষ চেষ্টা আৰু কৌশলেৰে বীজাণু আদিৰ সাৰ-সলনি কৰি তামোল গছত নাৰিকল হোৱা, কাইটীয়া গছ নিমজ কৰা প্ৰভৃতি আশ্চৰ্য্যজনক কাম কৰি কৃতকাৰ্য্য হব পাৰিছিল। ধন্য জ্ঞান বুদ্ধি কৌশল।

শ্ৰীভ্ৰমৰ শইকীয়া।

---

# জুগুলী আৰু পোহৰী।

এই দুখন প্ৰাচীন কাকত আজি "এমেল্ গেমেট্" হল। এমেল্ গেমেট মানে যি সুধুৱে তেওঁক কওঁ যে দুইখন অমিল হৈ থকা কাকত মিটমাত কৰি লগ লাগি একেখন হল। দাৰ্শনিক ভাষাৰে কব খুজিলে কব পাৰি,—এখন আনখনত পঞ্চীকৃত হল। সৃষ্টিতত্বৰ ভাষাৰে কলে,—এখন আনখনত লয় গল। আৰু গৃহতত্বৰ অৰ্থাৎ ঘৰুৱা মাতেৰে কবলৈ গলে—এখনক আনখনে গিলিলে। ফলত জুগুলী পোহৰীৰ স্বকীয়া অস্তিত্ব গুচিল আৰু বল অকল জুগুলী। আজিৰপৰা জুগুলীয়ে খালেই জুগুলীৰ উদৰস্থ পোহৰীৰ ভোক গুচিব, আৰু জুগুলীয়ে মুখ বজালেই পোহৰীয়ে মুখ বজোৱা হব। মুঠতে জুগুলীৰ সকলো কৰ্ম্ম অকৰ্ম্মত পোহৰীক পাবা।

অনেকৰ "জুবিলি" হৈ গৈছে। আহি অনুসৰি আজি জুগুলীৰো জুবিলি হল। এইটো জুগুলীয়ে পোহৰীক খওতে গিলা জুবিলি। যি জুবিলিৰ মানে নাজানে, তেওঁ আমাৰ আগৰ মহাৰাণী ভিক্টোৰিয়াৰ জুবিলি স্মৰণ কৰিলেই বুজিব।

জুবিলি উপলক্ষে আজি জুগুলীয়ে, তলত দিয়া কাৰ্য্যকেইটা কৰিবলৈ থিৰাং কৰিলে:—

(১) এইবাৰ কলিকতা বিশ্ব-বিদ্যালয়ৰ এণ্ট্ৰেন্চ পৰীক্ষা দিয়াসকলক জুগুলীয়ে "জুবিলি এণ্ট্ৰেন্চ পাচ" বুলি পাছ কৰি দিব।

(২) এই এণ্ট্ৰেন্চ পাছসকলৰ, যি ইচ্ছা কৰে, তেওঁলোকক জুগুলীয়ে

চুৰছবলৈ "ভণ্ডামি" কৰিবলৈ হুকুম দিব, আৰু ভণ্ডামিৰ অন্তত বিশেষ অনুগ্ৰহ কৰি তেওঁলোকক বাৰ-আনুলীয়া চুলি ৰাখি কবি হবলৈকো এৰি দিব। এবং তৎপশ্চাৎ তেওঁলোকক jointly and severally অৰ্থাৎ সৈয়াকৈ আৰু গাই-গোটাকৈ "সাহিত্যিক" হৈ "আসাম ফ্ৰন্টিয়ৰ গেজেটৰ" সম্পাদক, লেখক, পৃষ্ঠপোষক, লাঙ্গুল বাহক, সংবাদ দাতা আৰু পিতলৰ হেতা হবলৈ অনুমতি দিব।

পৰাৰ্থে জুগুলীয়ে এইকেইটা কাম কৰি অন্ত কবি নিজৰ অৰ্থে পৰে যি কৰিব তাক কয় শ্ৰৱণ কৰা:—

(১) জুগুলীৰ সম্পাদকে গাওঁবুঢ়া "টাইটোল" অৰ্থাৎ উপাধি পাব। আৰু সেই টাইটোল সম্ৰাট পঞ্চমজৰ্জ্জে তেওঁক দিব। কি প্ৰণালীৰে সম্ৰাটে সেই উপাধিৰে তেওঁক বিভূষিত কৰি সম্মান কৰিব কওঁ শ্ৰৱণ কৰা:—গেজেপত ছাপি।

## সম্পাদকীয় খুটা অৰ্থাৎ EDITORIAL

এইবাৰ আবকালিৰ ৰবদিনৰ বন্ধত গুৱাহাটীত "আসাম কনফৰেঞ্চ" বহিছিল। দুখৰ বিষয় কনফ্ৰেঞ্চ "ফেল" হল, বাঁজী হল, মাটি হল, "বদি" হল, অধিকন্তু মিছা হল। তাৰ যাই কাৰণ;—জুগুলীৰ সম্পাদক ৰবৰুৱা কৃপাবৰক গৰিহা-খোৱাইতে কনফৰেঞ্চৰ সভাপতি নাপাতিলে।

***

সেই সময়তে "ষ্টুডেণ্টচ কনফৰেঞ্চ" অৰ্থাৎ ছাত্ৰ-সম্মিলনী এখনো হেনো গুৱাহাটীত বহিছিল। আমি সোধোঁ, এইখন আকৌ কৰপৰা ভোবোকাই ওলাল? এইখনে হেনো সাহিত্যতো হাত দিছিল! কি সাহ! কি আস্পৰ্দ্ধা! আমি হাতী যেন সাহিত্যিকবোৰ, পৰ্ব্বত যেন ডাঙৰবোৰ, উধান যেন প্ৰধানবোৰ পৰি থাকিলোঁ, আৰু বিশেষকৈ মই ৰবৰুৱা ভোকোন্দাইচন্দ্ৰ পৰি থাকিলোঁ, আৰু ওঠ চেপিলে পিয়াহ ওলোৱা ছাত্ৰে কৰিলে সাহিত্য সভা! মইনো ক'ত নমৰোঁ হৈ! এই লৰাখনক কোবাই দিবলৈ কতো চেকনি এডাল পোৱা নাযায় নে? দেশত অইনাই অধৰম হল! গগনমণ্ডলেও এইবোৰ দৌৰাত্ম্যলৈ কাণ নকৰে দেখোন! মানীৰ মান, জ্ঞানীৰ জ্ঞান, গুণীৰ গুণ, আৰু প্ৰবীণ পকা সাহিত্যিকৰ মোল লৰাখনে মুবুজা হল দেখোন! এইখন ষ্টুডেণ্টচ কনফৰেঞ্চ নে বিহুহাট! অন্ততঃ ৰবখনত যি হল হল, এই সৰুখনতো মাননীয় জুগুলীৰ সম্পাদক ডাঙৰীয়াক সভাপতি পতা উচিত নাছিল নে বাৰু? আমি এই বিষয়ে কৰ্ত্তৃপক্ষৰ মনযোগ আকৰ্ষণ কৰিবলৈ



বাধ্য হলোঁ। গগনমণ্ডলৰ ঘৰত মান পোৱা আমুকা ৰবৰুৱা গাওঁবুঢ়াৰ শেহত এনে অপমান!

(***)

এইবাৰ য়ুৰোপত মহাৰণ। টৰ্কি উন্মাদ, অষ্ট্ৰিয়াৰ প্ৰমাদ; জৰ্ম্মাণী উন্মাদিনী, আমেৰিকা অভিমানিনী; ইংলণ্ড বৰ ব্যস্ত, ফ্ৰান্সৰ মহাকষ্ট; বেলজিয়ম ৰক্তত বাতুল, চাৰ্ভিয়া শোকত বাতুল; ৰুমানিয়া বলিয়ানী, বেভেৰিয়া ভিকাৰিণী। জেপালিন ভগ্ন, জাহাজ মগ্ন; ভাৰতৰ সুৰেন্দ্ৰনাথ বৰলাটৰ সভাত সোমাব নোৱাৰিলে; আসামত পকাকুলকীয়া "নমিনেটেড" নহল! দুৰ্ভাগ্যই তেওঁক পইতাভাতৰে মানি থালে! বৰ দুৰ্যোগ, পাঠকসকল বৰ দুৰ্যোগ!!

## সমালোচনা।

**বিক্ৰমাদিত্যৰ জীৱন-চৰিত।** এই কিতাপখন আমি সমালোচনাৰ নিমিত্তে পাইছোঁ। কিতাপখন যদিও সকলো পিনে ভাল হৈছিল, কিন্তু তাত এটা মহা ত্ৰুটী ৰৈ গল;—জুগুলী সম্পাদকে বিক্ৰমাদিত্যৰ বিষয়ে কোনো কোনো সভাত যি দুই চাৰি আষৰে কথা কৈছিল, সেইবোৰ ইয়াত তুলি দিয়া নাই!!! কি সৰ্ব্বনাশ! গ্ৰন্থকাৰে এইটো ভাবি চোৱা উচিত আছিল যে চন্দ্ৰবিহনে যেনেকৈ ৰাতি এন্ধাৰ, জুগুলী সম্পাদক ভোকোন্দচন্দ্ৰৰ বাক্য-কিৰণৰ অবিহনে এই কিতাপখন তেনেকৈ এন্ধাৰ। আমি বৰ নিৰাশ হলোঁ; এনে ভাল কিতাপখন মাটি কৰিলে, মাটি কৰিলে! ইস্! ইস্! ইস্!

## বিজ্ঞাপন।

**সাধু-বচন সংগ্ৰহ।** জুগুলী সম্পাদক বিৰচিত।

ছপা হৈ ওলাল। বেচ ৮০। আমি কানো আসামৰ সকলো লোকে এই কিতাপৰ নিমিত্তে ভাত পানী এৰি এক সময়ে আজি ইমান দিন ধিয়াই আছিল। এতিয়া সেই সুতৃষ্ণাৰ্দ্দনা সমুখত। সোনকালে সকলোৱে আমালৈ ৮০ অনা পঠিয়াই দি কিতাপ একোখন নিয়াই জীয়ক, তৎপাওক। বিলম্ব কৰিলে নাপাব; আৰু নাপালে মৰি থাকিব, নিশ্চয়।

ঠিকনা— কিতাপ এজেন্সী।

# চিকাৰ বিপদ।

(২)

এই দৰে চৰাই মাৰি আহি ব্ৰহ্মপুত্ৰ নৈৰ ওচৰ পাওঁতে এমাইলমান আছে এনেতে সোঁ-সোঁ শব্দৰে পাচোৱা মেলিলে, আমাৰ মুখত পানী নোহোৱা হল। প্ৰথমে নিজৰ গাৰ কাপোৰ আৰু মাৰি অনা চৰাই বিলাক চম্ভালিব নোৱৰা হলোঁ, বতাহে উৰাই উৰাই নিয়ে। কোনোমতে বতাহক ঠেলি ঠেলি নৈৰ পাৰ পালোঁহি, চাও যে নৈৰ ইপাৰ সিপাৰ একো দেখা নাপায়। বালিৰে গোটেইখন নৈ এন্ধাৰ কৰি ধৰিছে, ইপিনে পানীৰ ঢৌ আৰু খলকনি আৰু হোঁ-হোঁ শব্দ। একো উপায় নাপাই মণিকর্ণিকাৰ পৰ্ব্বতৰ ওখিলৈ গৈ তাতে এটা শিলৰ আশ্ৰয় লৈ কেতিয়া বতাহ কমে তাৰে বাট চাই ৰহি থাকিলোঁ। আৰু আমাৰ পাছে পাছে অহা সেই চৰাইও আহি এডাল গছতে পৰি আমালৈ চাই থাকিল। তোমাৰ যিমানেই দুৰ্য্যোগ হওক, সম্পদেই হওক বা বিপদেই হওক, সময় কালেকো বাট নাচায়। সূৰ্য্য মোনাই লাহে লাহে লৈ পশ্চিম কালৰ দুৱাৰখন মেলি মিচিকীয়া হাঁহি মাৰি সিখন দেশলৈ গুচিল, তাৰ লগে লগে পৃথিৱীও মুখ এন্ধাৰ কৰি ৰহিল। ওপৰৰ আকাশখনে লহপাস কৰি মনৰ আনন্দত হাঁহিবলৈ ধৰিলে—কি চাবা, হীৰা মাণিক জাৰ লঠন অসংখ্য অগাখ্য জিলিকিবলৈ ধৰিলে আৰু জোনাবাইয়ে সেইবিলাকক মাজত লৈ নাচিবলৈ ধৰিলে, বতাহেও সেইবিলাক দেখাতে নোহ লৈ থমক ধালে, বাকুলী বাগুটিৰে গোটেই দিনটো হৰিচ কৰি গধুলি হোৱা দেখি হৰিচ ভাগো বুলি ওলাই আহি থকামকা কৰি ঘৰে ঘৰে বিচকে পাইছে মুখত ভৰাইছে। ইপিনে বতাহ থমক ধালে হয় কিন্তু নৈৰ পানীৰ নাচোন নকমিল, ওপৰক্ষ পানীৰ নাচোন এনেৰ চৰিল হে। ইপাৰৰ মানুহ সিপাৰলৈ আৰু সিপাৰৰ মানুহ ইপাৰলৈ আহিবলৈ নাও মেলি দিবলৈ সাহ কৰা নাই। সিপাৰলৈ আপিচ কৰিবলৈ যোৱা কেৰাণি-সকলে কচাৰি ছুটি হোৱাত বজাৰলৈ গৈ মাছ পাচলি কিনি আনি ঘৰলৈ গৈ মহা সুখেৰে খাম বুলি আশা কৰি নৈৰ পাৰত খাপ পাতি ৰহি থাকিল। এই দৰে থাকোঁতে থাকোঁতে এন্ধাৰ হল; ঘৰে ঘৰ চাকি জ্বলাবলৈ ধৰিলে। আমি আটাইবিলাক মহা চিন্তাত পৰিলোঁ—কিয়নো আমি আজিৰ নগৰত ঘৰত



নৈক অহা নাছিলোঁ; ইপিনে ঘৰলৈ নিশা হোৱাতো নহা দেখি কটৈন গলোঁ কি কৰিলোঁ ইয়াকে ভাবি চিন্তি ঘৰৰ মানুহ চিন্তিত হৈছে। লাহে লাহে ৰাতি হৈ অহা দেখি দুজনমানে ঘৰলৈ নাহি তাতেই থাকিবলৈ মন কৰিলে। দুজন মানে ঘৰলৈ নাহিলে বাপেক মাকে খং কৰিব বুলি ভয়ও কৰিছে। কি কৰা যায়, ভাবি চিন্তি আমি আন উপায় নাপাই তাৰে এজন ভাল হচিয়াৰ নদীয়াল ওৰিয়ালক ধৰিলোঁ আৰু কলোঁ যে আমাৰ নিজৰ নাও বঠা আছে আমি আটাই-কেইটাই বঠা আৰু ভাঁৰ মাৰিম, তুমি কেৱল হালিটো ভাল কৰি ধৰি আমাক সিপাৰত থৈ আহা গৈ আৰু যদি লাগে তোমাৰ লগত দুজন মানুহ লোৱাঁ, তেও আমাক সিপাৰ কৰি দিয়াঁ, সেই বাবে তোমাক দহোটা টকা দিম। তেওঁ কিন্তু মান্তি নহল, ততপৰি আমাক জেকেৰা এটা মাৰি কলে এই দুৰ্যোগৰ সময়ত মোক এশ টকা দিলেও মই যাব নোৱাৰোঁ। ইয়াকে আমি শুনি আগেয়ে যি কেইজনে পাৰ নহলৈ আলচিছিল তেওঁলোকে নাযাওঁ বুলি গোল পুতিলে। এই দৰেই থাকোঁতে থাকোঁতে ৰাতি প্ৰায় আঠ বাজিল আৰু নদীৰ ঢৌও কমি আহিল, কিন্তু পানীৰ আলাগনি আৰু নদীৰ মাজৰ ঢৌ কমা নাছিল। অলপ পাছতে সিপাৰৰ পৰা এখন দুখন নাও আহিবলৈ ধৰিলে, তাকে দেখি আমাৰ অলপ সাহ হল, আমি দুইজনমানে আমাৰ লগত অহা নদীয়ালৰ ঘৰাটোক ভাল কৰি গুৰি ধৰিবলৈ কলোঁ আৰু আমি বঠা ভাঁৰ মাৰিলে পোন্ধৰ মিনিটৰ ভিতৰতে সিপাৰ পাম বুলি নৈক নাৱত উঠিবলৈ ওলালোঁ। এই বুলি কোৱাত পাছ দুয়জন মান আহিবলৈ ওলাল, কিন্তু তিনিজন মানে সাহ দিব নোৱাৰে দেখি কোনো মতেই আহিব নোখোজে। আমাৰ লগৰ চিকাৰী সুনটানে যে তাতে খুটি পুতি ৰাতি ভাত খাবলৈকে আলচকে পাতিলে; নানা ৰকম বুজাই কাবৌ কাকুতি কৰি কোনো ৰকমেই কাকো নাৱত তুলিব নোৱাৰোঁ। শেষত বহুত বাক বিতণ্ডা কৰি আটাইকেইটাকে আহিবলৈ মান্তি কৰালোঁ। এখোজ দোখোজ কৰি জানিবা ভুৰলি পালোঁ, নাওখন বালিৰপৰা টানি আনি পানীত পেলালোঁ, এটি এটি কৰি নাৱত উঠি সকলোৱেই "হে ৰাম প্ৰভু" বুলি মুখত এচলু এচলু পানী ললোঁ। আমাৰ মোছলমান লগৰীয়াসকলেও "হে উমানন্দ বাবা ৰক্ষা কৰিবা" বুলি এচলু পানী মুখত ললে।

নাওখন পাৰৰপৰা প্ৰায়হৈক মেলি দিয়েই আটাইবিলাকে একেলগে কলোঁ।

"হে ব্ৰহ্মপুত্ৰ বাবা! আমাক নিৰাপদে পাৰ কৰি দিবা"। নাও মেলি দিলোঁ হয় কিন্তু আমাৰ এটাৰো মুখত পানী নাই, বুক চিপিং-চিপিং কৰিবলৈ ধৰিলে। প্ৰায় দুই নল মান যাওঁতেই নাওখনে টুলুং ভুটুং লগালে—তেতিয়া চাৰিজনমানে চিঞৰ বাখৰ লগাই হাহাকাৰ কৰিবলৈ ধৰিলে। এটাই কয় "নাওখন আৰু মোক নিদিবা মই নাযাওঁ"—এটাই কয় "মোক এতিয়াই পাৰত নমাই দিয়া নহলে মোৰ বধৰ পাপ লাগিব;" এজনে কয় "মই আগেয়েই নাহোঁ বুলি কৈছিলোঁ এতিয়া কি কৰোঁ, আইঐ মৰিলোঁ! বোপাই ঐ মাৰিলো! হে হৰি মধুসূদন ৰক্ষা কৰাঁ!" কাৰো মাত কোনেও শুনা নহল। আমাৰ মুলটানে এবাৰ "হে আল্লা হে খোদা! আকৌ এবাৰ হে হৰি, উমানন্দ বাপ! হে ৰাম! ৰক্ষা কৰাঁ!" এই বুলি কিমান যে হিন্দু দেৱতাৰ নাম মাতিলে সীমা নাই। আমি দুইজন মানে কেৱল "মাৰ" "মাৰ" আৰু "গুৰি টানি ধৰিবা," "গুৰিৰ বঠা অলেপো মুঠিয়া" এই দৰে চিঞৰি আছোঁ আৰু বঠা মাৰি আছোঁ। ইফালে নাওখনক চৌদিশে অফালি আছে, মাজে মাজে কেতিয়াবা ভিতৰত পানীও সোমাইছে, আৰু লাহে লাহে নাও আহি আছে। এনেতে আৰু এটা আপদে লগ পালে—নাওখন ইকাতি-সিকাতি কৰা দেখি কেইজনমানে বঠা মাৰিবলৈ এৰি যি পিনেই নাৱৰ বাৰটো এওলাগা হয় তাৰ ওভোতা কাষৰ বাৰত ভৰ দিয়ে, গতিকে নাওখন সেই পিনেই হেঁচা খায়—তেতিয়া সেই বাৰটো এৰি ইটো ধৰিবলৈ আহে। নাৱত পানী সোমাবলৈ ধৰিলে আৰু নাও ডুবোঁ ডুবোঁ হব লগা হল। তেতিয়া আকৌ গগন ভেদি "অহ ঐ মৰিলোঁ ঐ ধৰহি ঐ কিয় আহিছিলোঁ ঐ!" বুলি খনক লগালে। তেতিয়া একো উপায় নাপাই তাহাঁতক দুআই-বৰাই নাৱৰ তলিত গা নলৰা কৰি থিৰ হৈ বহিবলৈ দিলোঁ, তাহাঁতেও ভাল নবাটিৰ নিছিনা তলিতে বহি পৰিল। চোৰ পানী জোলোকা-জোলোকে নাৱৰ ভিতৰত সোমাই পানী ভৰি পৰিছে; তাহাঁতে সেই পানীতে ভিজি নাৱৰ তলিত বহি এজনে বা ঈশ্বৰৰ নাম জপ কৰিছে, এজনে হৰিক স্মৰণ কৰিছে, উমানন্দ কামাখ্যা আৰু বিমানবিলাক নাম মুখত আহিব পাৰে সকলোবিলাক মুখত আপেই ফুটাই ফুটাইছে। এই কাৰণে আমি আহি নৈৰ মাজ মান পাওঁতেই এটা ডাঙৰ ঢৌৱে আহি নাওখনত কোব মাৰি দিলে। সেই কোবত মই নাওখনৰ পৰা আঁতৰ খাই পানীত পৰিলোঁ, কাৰণ মই



নাৱৰ টিঙত বহি ভাঁৰ মাৰিছিলোঁ। [illegible] শুনৰ এমুকনি লাগি পাৰিল "মৰিলোঁ ঐ! কোন আছ ধৰহিহক ঐ!" এইদৰে চিঞৰ লগাবলৈ ধৰিলে। কিন্তু সেই দিশা এনে একাৰত কোন কত আছে। মোক পানীত পৰা দেখি তেতিয়াই মই এজনক কলোঁ যে "তুমিও সিপিনে পানীত পৰি নাওখনৰ পাৰত ধৰা।" কোৱামাত্ৰকে এজন পানীত পৰিল, দুইজনে নাওখনৰ দুই পিনে হাতেৰে ধৰি পানীত ওপঙিবলৈ ধৰিলোঁ, নাওখনেও তেতিয়া টুলুং ভুটুং কৰিবলৈ এৰিলে, আৰু নাওখন থিৰ হল। ইপিনে তজনক ভাঁৰ মাৰিবলৈ লগাই দিলোঁ আৰু তিনিজনক বঠা মাৰিবলৈ কলোঁ, এজনক নাৱৰ ভিতৰত সোমোৱা পানীবিলাক সিচি পেলাব দিলোঁ। সে সময়ত মই তেওঁলোকক যেতিয়াই যি কৈছিলোঁ তাকে কোনো আপত্তি নোহোৱাকৈ, সাগৰৰ মাজত জাহাজ ডুবিবলৈ ধৰিলে খালাচি বিলাকে নিজৰ প্ৰাণৰ মায়া এৰি দি কমাণ্ডৰৰ কথা যেনেকৈ পালন কৰে আৰু জাহাজখন ইকি ইকি কৰি সাগৰৰ গৰ্ভত সোমাই যোৱা দেখিও তাহাঁতে অটল অচল হৈ কৰ্ত্তব্য কামৰ পৰা অলপো লৰচৰ নকৰে, সেইদৰেই তেওঁলোকেও যাক যি কৈছিলোঁ তাকে কৰিছিল। কিন্তু তিনিজন মান যে ন নড়ো ন চড়ো, তেওঁলোকে নলৰেও, একোকে নকৰেও, অন্তিমকাল ওচৰ বুলি থিৰাং কৰি চকু থিৰ কৰি ঈশ্বৰৰ নাম জপ কৰিছিল। আমাৰ মুলটানৰ জানিবা মুখত চৰগ পৰাৰ দৰেই হৈছিল, হাতৰ বন্দুক গুনাই গৈ নাৱৰ এঠাইত বাগৰাবাগৰি লগাইছে, যি নলিৰ মুখেৰে তিনি ঘণ্টা আগতে হোলোকাহোলোকে যি দুই উলিয়াইছিল এতিয়া সেই মুখেৰে নাৱত সোমোৱা পানী আকণ্ঠ পেটত ভৰাই মৰাশ পৰাৰ দৰে পৰি আছিল। তেওঁৰ নিজৰো পিন্ধা কাপোৰ-কানি তিতি জুৰুলি-জুপুৰি হৈছিল, সেইবিলাকলৈ তেওঁৰ খবৰেই নাই। মাজে সময়ে কেতিয়াবা মুচ্‌কচ্‌ ভগাৰ দৰে উঠি "হে আল্লা, হে খোদা, হে হৰি, হে জনাৰ্দ্দন" ইয়াকে মাজে আগে কয় আমি কোনো কথা কলে বা সুধিলে তেওঁ সেইবিলাকলৈ কাণকে নকৰে। চৰাই মৰা আনন্দ তেওঁ তেতিয়াহে ভালকৈ গম পাইছিল।

তেতিয়া মই ভাবিলোঁ যে এইদৰে নিৰাশ হৈ থাকিলে তাহাঁত ভয়তে আৰু অস্থিৰ হব, ইয়াকে ভাবি গুৰিয়ালক কলোঁ "মঙি (আমাৰ গুৰিয়ালজনৰ নাম মঙি) তুমি নাৱৰ টিঙত থিয় দি ভাল কৈ গুৰি ধৰিবা। আমি দুইজনে যেতিয়া নাওখনৰ দুই পিনে ধৰি পানীত ওপঙি আছোঁ নাও বুৰিবৰ কোনো ভয় নাই; এতিয়া

তোমালোক আটাইকেইটাই ডাঁড় বঠা মাৰিলে অলপতে মাজৰপৰা ওলাই যাব পাৰিম, নহলে আমাৰ আপদ্ সুগুচে" এই বুলি কৈ মই নাম লগাই দিলোঁ।—"ঘাটে নাও চপাই দিয়া এ বনমালি!" এই নাম তাঁহাতক ধৰিবলৈ দি মই পদ লগাই দিবলৈ ধৰিলোঁ, তেতিয়া আটাইকেইটাই সেই নামটো জাত জাতকৰে ধৰি নামৰ লয়ে লয়ে গিৰিহ গিৰিহ কৰি বঠা আৰু ডাঁড় মাৰিবলৈ ধৰিলে। তেতিয়া ভয়টো ফু মাৰি বিম নোহোৱা কৰাৰ দৰে নোহোৱা হল। এই নামৰ মহা শক্তিয়ে আমাৰ স্থলটানবো গা তুলি দিলে। গাৰ জোৰেৰে বঠা মাৰোতে মাৰোতে, নাৱৰ বেগ দোপক দোপে চৰিল, অলপ পাৰ আহিয়েই নৈৰ পাৰৰ ওচৰ পালোঁ।

মই আৰু মোৰ লগৰীয়াজনে পানীত বহুত পৰৈন থকাত ঠেঁতুৱাই লগাত লাহেকৈ নাওখনত উঠি অৱশ হৈ পৰিলোঁ আৰু আমি ইমান অজ্ঞান হৈছিলোঁ যে কেতিয়া নাও আহি ঘাটত উঠিল আমি কব নোৱাৰোঁ, কিন্তু আমাৰ লগৰীয়া-বিলাকৰ আনন্দ ধ্বনি আৰু হাঁহিয়ে আমাক চেতনা দিলে। নিশা ন মান বজাত পাৰত উঠিলোঁ। তেতিয়া তেওঁলোকৰ দেমালি কি চাবা! তেতিয়া নিজে নিজেই একোটা জানিবা নেপলিয়েন হে।

ইপাৰ পাই পাৰত উঠিলোঁ। আমি যে সিপাৰলৈ গৈছিলোঁ এই খবৰটো আমাৰ অভিভাৱকসকলে শুনিবলৈ পায়; তাতে আকৌ প্ৰথম পঢ়োৱা মেলোতে সিপাৰৰপৰা আহা নাও এখন ডুবা খবৰ পাইছিল, সেইদেখি তেওঁলোকৰ মনত নানা চিন্তাই ধৰিছে। ইপিনে নিশা হল আমাৰ দেখা শুনা নাই গতিকে তেওঁলোকে হাতত একোটা লণ্ঠন লৈ নদীৰ পাৰত ইকালে সিকালে গৈছে আৰু সিপাৰৰপৰা যিমান মানুহ আহিছে তাঁহাতক আমাৰ কথা সুধিছে আৰু আমাৰ নাও এতিয়াও সিপাৰতে আছে নে নাই আৰু নাও যদি তাত নাই আমি কলৈ গলোঁ পিটিকি পিটিকি সুধিছে।

আমাক অহা দেখা পাই আৰু আমাৰ গাৰ কাপোৰ তিতা দেখা পাই তেওঁলোকে হৰি হৰি সুমৰিবলৈ ধৰিলে। আমি নাওৰপৰা উঠি চৰাইবিলাক গাই পতি ভগাই লৈ ঘৰাঘৰি আহিলোঁ। ঘৰত আহি দেখোঁ যে মোৰ চেনেহী আইয়ে গোঁসাইঘৰত সোমাই গোঁসাইৰ আগত ডুটা পিঁউৰ চাকি আৰু এখন শৰাইত মাহ চাউল দি মাটিত আঁঠু লৈ চুলি ভিজি হিয়া উদঙাই প্ৰাৰ্থনা জনাইছে যাতে মোৰ কোনো বিপদ নহয় আৰু নিৰ্বিঘ্নিয়ে ঘৰ পাওঁ। মই লাহেকৈ আহি আই বুলি



মাত দিবলৈহে পালোঁ; আইয়ে উচাপ খাই উঠি, যেন কৰবাৰ হেৰোৱা ধনহে পালে, লৰি আহি মোৰ মুৰত চুমা খালে। আইৰ মুখলৈ চাওঁ যে আইৰ চকুৰ পানী পৰা যেন দেখিলোঁ, তেতিয়া বুজিলোঁ মোৰ নিমিত্তেই আইয়ে কান্দি আছিল, কাৰণ আগেয়ে এখন নাও ডুবা বুলি শুনিছিল। ধন্য মাতৃ স্নেহ! পৃথিবীত যদি কিবা চেনেহ আছে সেই মাতৃ চেনেহৰ সমান একো হব নোৱাৰে, কিন্তু সেইটো চেনেহ মাতৃ জীয়াই থকা কেদিন আমি বুজিব নোৱাৰোঁ। যিদিনাখন তেওঁৰ আত্মাহীন ভেলটো বাঁহৰ চাঙত তুলি লৈ গৈ মৰিশালিত নি চিতাৰ ওপৰত তুলি দি জুই লগাই দিওঁ আৰু সেই জুই সংহাৰ মূৰ্ত্তি ধৰি দপদপাই উঠি শৰীৰৰ একোটা একোটা অঙ্গ পুৰি থপথপ কৰি আঙঠাবিলাকৰ ওপৰত পৰে আৰু সেই আঙঠাৰ তাপত পুৰি ছেই ছাই হয়, আৰু সেই মৰিশালিৰপৰা আহি নিজ ঘৰত সোমাই "আই" "আই" বুলি মাতিলেও "বোপা কি হৈছে" বুলি মাত শুনিবলৈ নোপোৱা হয়, চাৰিওপিনে কেৱল শূন্য আৰু এন্ধাৰ দেখোঁ, বোহপাতি ভাত নাখাওঁ বুলিলে নিজেও ভাত পানী এৰি "ভাত খাহি আহ মোৰ সোণাই" বুলি মাতি নিওতা নোহোৱা হয়, অলপ অসুখ কৰিলে বিছনাত পৰি আই ঔ বুলি কেকাই থাকিলেও টোপনি কাটি কৰি নিশা উঠি আহি "কি হৈছে" বুলি সোধোতা নোহোৱা হয়, তেতিয়াহে আমি মাতৃ কি বস্তু গম পাওঁ। এইটো প্ৰকৃতিৰ নিয়ম; কাৰণ দাঁত থকা অৱস্থাত দাঁতৰ মোল কোনেও নুবুজে।

তাৰ অলপ পিছতে আইয়ে মোক বৰকৈ বকিবলৈ ধৰিলে; কেৱল চেকনিৰে হে নুছুলে। চিকাৰলৈ গৈ চৰাই বধ কৰি তাঁহাতৰ মনত যিমান দুখ দিছিলোঁ তিমান খিনি দুখ মইও পালোঁ, বিশেষ যেতিয়া আইয়ে কলে নিষ্ঠুৰ হৈ এই চৰাইবিলাক যে বনৰপৰা মাৰি আনিলি আজি যদি এই দৰে তঁহতক কোনোবাই মাৰিলেহেঁতেন তেতিয়া আমি কেনে পালোঁহেঁতেন? তই এতিয়ালৈকে নহা দেখি আৰু এখন নাও ডুবা খবৰ পাই মই ইয়াত কিমান ধৰফৰাই আছিলোঁ আৰু মনটো চাটি-ফুটি কৰি আছিল কিমান যে ঈশ্বৰক খাটিছিলোঁ তইতে সেইবিলাক কি ভুপাৰি। এই চৰাইবিলাকৰ মাক বাপেকে আৰু লগৰ চৰাইবিলাকে বাঁহলৈ উৰি গৈ সিহঁতৰ লগৰীয়াবোৰক নাপাই কিমান ধৰফৰাব লাগিছে চাগৈ এবাৰ ভাবি নাচাব কিয়? তাঁহাত চৰাই হল কি হল? সকলোৰেই একে জীৱ। তইতে লেখা পঢ়া কৰি ইয়াকেহে শিকিলি! তইঁতৰ অন্তৰত অলপো দয়া মায়া নাই নে?

এইবিলাক শুনি মই টভক মাৰিলোঁ, আৰু সেইদিনাৰপৰা শপত খালোঁ যে আজিৰপৰা আৰু কেতিয়াও চিকাৰ কৰিবলৈ নাযাওঁ, আজি যি শিক্ষা আইৰপৰা পালোঁ এই শিক্ষা চিৰকাললৈকে মোৰ অন্তৰত শিলৰ ফলিত লেখি থোৱাৰ দৰে হৈ থাকিব। দৰাচলতে সেইদিনাৰপৰা আজিলৈকে মই কেতিয়াও চিকাৰলৈ যোৱা নাই। নেপলিয়ন বনাপাৰ্টিয়ে যে কৈছিল—"সন্তানৰ আচল শিক্ষাৰ ঠাই মাক" এই কথাতো বাস্তৱিকে সঁচা। মোৰ লগৰ দুজন বন্ধুৱেও মোৰে নিচিনা কৰি চিকাৰলৈ নাযাওঁ বুলি শপত খাইছিল, কিন্তু সেই দুইজন বন্ধু এতিয়া আমাৰ মাজত নাই, সংসাৰৰ কঠোৰ কামৰ হেঁচা পাই কোন কলৈ গল আৰু কত আছে তাৰ ঠিকনা নাই, এনে কি দেখাদেখিও নোহোৱাত পৰিছে, আৰু তাহানি-খনৰ সেই বন্ধুতা ভাবও কমিছে, কাৰণ বহুত দিনগানিলগি হৈছোঁ, সেইদেখি সেই দুজনে তেওঁলোকৰ প্ৰতিজ্ঞাত ঠিক আছেনে নাই কব নোৱাৰোঁ। মই কিন্তু এতিয়াও ঠিক আছোঁ আৰু ঈশ্বৰক প্ৰাৰ্থনো কৰিছোঁ। জীৱনৰ বাকি দিনকেইটাও যেন এই দৰেই যায়। এতিয়া পাঠক পাঠিকাসকলে নিজেই বিচাৰ কৰি লব চিকাৰ দৰাচলতে ভাল নে বেয়া। সেইকেৰা আপোনালোকৰ গাত পেলাই দি আমি বিদাই লওঁ।

শ্ৰীদুৰ্গানাথ বৰুৱা।

---

## পোৱা কিতাপ।

ফুলনি।—শ্ৰীযুত পদ্মধৰ চলিহা এম-এৰ দ্বাৰাই প্ৰণীত। দ্বিতীয় সংস্কৰণ। বেচ চাৰি অনা।

Matriculation Translation and Composition।—শ্ৰীযুত চন্দ্ৰনাথ শৰ্ম্মা বি-এ ৰচিত। বেচ ২৲ টকা।

আসামৰ বুৰঞ্জীৰ এক আধ্যা—বাৰভূঞা। শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাৰ দ্বাৰাই প্ৰণীত; বেচ ।৵০ অনা।

মাণিক।—শ্ৰীযুত কমলেশ্বৰ বৰঠাকুৰ বি, এ, শ্ৰীযুত সোনাপতি দেৱশৰ্ম্মা আৰু শ্ৰীযুত মহীচন্দ্ৰ বৰাৰ দ্বাৰাই প্ৰণীত।



ভাগ্য পৰীক্ষা।—নাট; শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা প্ৰণীত।

সাধু কথা চৰিত্ৰ।—শ্ৰীযুত কান্তিৰাম বুঢ়া ভকত। বেচ ৵০

ভাৰতে ইংৰাজ ৰাজত্ব। শ্ৰীযুত সুৰেশচন্দ্ৰ বন্দ্যোপাধ্যায় প্ৰণীত।

ৰহ-ঘৰা।—শ্ৰীযুত দণ্ডীনাথ কলিতা ৰচিত।

এই কিতাপবিলাক পাই আমি গ্ৰন্থকাৰসকলৰ শলাগ লৈছোঁ। "ভাগ্য-পৰীক্ষাৰ" ভাবনা আমি গুৱাহাটীত দেখি বৰ সন্তোষ পাই আহিছোঁ। "ফুলনি" "Matriculation & ", "মাণিক," "সাধু কথা চৰিত্ৰ" ভাৰতে ইংৰাজ ৰাজত্ব" এই কেইখন কিতাপ ভাল হৈছে। "ৰহ-ঘৰা" ৰহ-ঘৰাই হৈছে। বাৰভূঞা লেখকে কিতাপখনৰ কথাবোৰ নৰালবিকৈ লেখি ছপাবলৈ পঠিয়ালে। বুৰঞ্জী লেখিবলৈ হলে সকলো কথা বিচাৰ কৰি লেখিব লাগে; নতুবা তাত ভুল হৈ যায় আৰু বুৰঞ্জীৰ বুৰঞ্জিত্ব নাথাকে। ১৬ পিঠিত আছে "মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে এবাৰ কমলাবাৰী সত্ৰত থান কৰি থাকোঁতে" ইত্যাদি। শঙ্কৰদেৱৰ দিনত কমলাবাৰী সত্ৰৰ অস্তিত্ব কত আছিল? ইত্যাদি অনেক ডাঙৰ ডাঙৰ ভুল কথা কিতাপখনত আছে। ভেকা লেখকে কাৰবাৰ ৰচিত কিবা এখন পুথি চাই নৰালবিকৈ তেওঁৰ বৰভূঞা ছপাইছে; সকলো কথাৰ তলি আৰু আঁতি-গুৰিলৈ মন নকৰি কিতাপ লেখিলে এনে হয়।

---

## পথিকলৈ।

বাট হেৰুৱাই সুন্দৰ পথিক
ফুৰিছা বিষম বাটে;
আপোনাৰ লক্ষ আপুনি সুবুজি
ঘুৰিছা সংসাৰ-হাটে।
কিনিব লগীয়া বস্তুটি তোমাৰ
আৰ্জ্জিব লগীয়া ধন,
নিচিনি নেকানি হুইছা কিয়নো
বাহিৰা ৰঙে মগন?

কোৱাভাতুৰীয়া বাহিবা বঙত
ভুলিব খুজিছা কিয় ?
কলটিহে খায় বাকলি নেখায়
বাকলি নহয় প্ৰিয়।
ভাণ্ডিব খুজিছে বৈৰীয়ে তোমাক
দেখাই আপোন মতি,
আপোনাৰ যিটি আছে মনে মনে
পৰীক্ষা তোমাৰ গতি।
বেচা কিনা তুমি কৰোঁতে হাটত
ধৰিবা সমানে তুল,—
পৰক ঠগোৱা গুণটি জানিবা
আপোন ঠগন মূল।
লক্ষ তোমাৰ আপোন ভাবনা
নহয় ইতৰ কথা;
জনম-ভাবনা সকলো তোমাৰ
একেটি সুৰেৰে গঁথা।
মহৎ জনৰ খোজে খোজ ধৰি
চিনিবা গন্তব্য পথ,
নভুলিবা তুমি মায়াৰ ৰচনা
দেখি মৰীচিকা ৰথ।
মায়াৰ ৰচনা সভাৰ নিচিনা
জানা এই ভূমণ্ডল,
কত দোৰ্য্যোধনে মায়াৰ জালত
জলকে বুলিছে থল।

শ্ৰীকমলাকান্ত গোস্বামী।

---



# আমাৰ গুৰু শিষ্যৰ সম্বন্ধ।

আগৰ কথাকে নকওঁ,—মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ দিনৰেপৰা সিদিনালৈকে আসামত আমাৰ গুৰু শিষ্যৰ সম্বন্ধ কট্‌কটীয়া হৈ আছিল; অৱশ্যে স্নেহত আৰু ভক্তিত, কোনো উংৰিত নহয়। কিন্তু আজি অলপ দিন হৈছে আমাৰ গুৰু শিষ্যৰ সম্বন্ধটি ঢিলা হৈ আঁতৰি গৈছে।—এই বিষয়ে মাজে মাজে বহুত প্ৰশ্ন উঠিছে; কিন্তু তাৰ সুমীমাংসা হে হোৱা নাই।

গোঁসাই মহন্তসকলে কয়, আজিকালি শিষ্যবৰ্গৰ ল'ৰাবিলাকে ছটামান ক-ক, ম-ম, শিকি, গুৰু গোঁসাই নমনা হৈছে।—উত্তৰত আমি কওঁ, বৰ্ত্তমান শিষ্যবৰ্গৰ ল'ৰাবিলাকে, বৰ্ত্তমান সভ্যতাৰ সোপানত উঠি, বছৰি বছৰি বিশ্ব-বিদ্যালয়ত বি-এ, এম-এ, আদি উপাধিৰে বিভূষিত হৈছে, সেই মতে জ্ঞান আৰ্জ্জি উন্নতি পথত আগ বাঢ়িবলৈ ধৰিছে। ইয়াৰ ভিতৰৰ ভালেমানে বেদ-বেদাঙ্গত, বি-এ, এম-এ, পাছ কৰি, সংস্কৃত বিদ্যাত বিশেষ ব্যুৎপত্তি লাভ কৰিছে। কিন্তু, তেওঁবিলাকৰ গুৰু-সকলে সংস্কৃত ভাষাৰ বেদ বেদাঙ্গ পঢ়া দূৰত থাওক, বহুতে অসমীয়াকে পঢ়িব নোৱাৰে। এইসকলে গুৰু হৈ বি-এ, এম্-এ শিষ্যক কি জ্ঞান দিব? বা শিষ্যই এনে গুৰুৰপৰা কি আশা কৰিব? এনে বিধৰ গুৰুৱে, কেতিয়াবা কেতিয়াবা কীৰ্ত্তনঘোষাৰ অৰ্থ ব্যাখ্যা কৰি, তাৰ বিপৰীত ধৰণে বুজাই দিয়াও শুনা যায়। আমি কওঁ, আজিকালি শিষ্যৰ উপযুক্ত গুৰু হ'বলৈ সংস্কৃত ভাষাত বিশেষ ব্যুৎপত্তি লাভ কৰা যুগুত।—আমি, এইখিনিতে এই বিষয়ে আৰু এটি ক'ব পাৰোঁ। আসামত সত্ৰ-সভা স্থাপন কৰোঁতা বিমল বিশুদ্ধ ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰোঁতা মহাপুৰুষ শ্ৰীশঙ্কৰদেৱক বহুত গোঁসায়ে অৱমাননা কৰি তেওঁৰ ঘোষা আৰু কীৰ্ত্তনৰ সলনি, নিজৰ অগাধ বিদ্যা প্ৰকাশ কৰি, নতুন ঘোষা কীৰ্ত্তন ৰচি, অইন কি মহাপুৰুষৰ নাটবিলাকো পৰিত্যাগ কৰি, নতুন বঙ্গলা নাট ৰচি, শিষ্যবৰ্গৰ মাজত আৰু সত্ৰত প্ৰচলন কৰিছে। লগে লগে তেওঁবিলাকে তেওঁবিলাকক মহাত্মা মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱতকৈও বেছি বুলি দেখুৱাবলৈ গপত ওফন্দি গঙ্গাটোপ হৈ ফুৰিছে। কিন্তু, তেওঁবিলাকে অলপো ভাবি চোৱা নাই, "যাৰ যহত শাক সেন্দুৰ, তেওঁকে পাতিছে ভোকোলা এন্দুৰ।" তেওঁবিলাকনো আজি কাৰ মহত একোখনি সত্ৰৰ গৰাকী হৈছে? উপকাৰীক অপকাৰে খায়; এই জাতিৰ কেনেকৈ উন্নতি হব?—এতিয়া

ভাবি চালে দেখা যায়, তেওঁবিলাকে নিজৰ আদি গুৰু মহাপুৰুষ শ্ৰীশঙ্কৰদেৱক নেমানি, শিষ্যবৰ্গক এটি উদাহৰণ দেখুৱাইছে। গতিকে শিষ্যইও তেওঁবিলাকক গুৰু বুলি মনা নাই। এতিয়া কাৰ গাত দোষ?—দোষাত গুৰু চিনি লবলৈ দঢ়াই দঢ়াই কৈছে। গুৰুৰ গাত যিকিটা গুণ থকাৰ দৰ্কাৰ, সেইকিটা গুণ পালেহে শিষ্যই তেওঁক গুৰু লব পাৰে। গতিকে, গুৰুজন বিদ্বান, জ্ঞানী, নম্ৰ, শিষ্ট, ভদ্ৰ, সৰল আৰু অমায়িক লোক হব লাগে। তেনেহ'লে আনাৰ পূৰ্ব্বৰ গুৰু শিষ্যৰ সম্বন্ধ আকৌ আগৰ দৰে হ'ব; "হা প্ৰভু," বুলি পোনেই শিষ্য গদ্ গদ্ ভাবে পৰি যাব।

শ্ৰীনকুলচন্দ্ৰ ভূঞা।

---

# বিলাতৰ কথা।

লণ্ডনৰ পুলিচ্‌ৰ আৰু ইয়াৰ পুলিচ্‌ৰ বহুতো প্ৰভেদ। বাট, পথ, চাবলগীয়া ঠাইৰ কথা, কোন বাটেদি গলে অমুক ঠাইলৈ অতি কম ধনতে অতি অলপ সময়তে যাবপাৰি ইত্যাদি কথা লণ্ডনৰ পুলিচ্‌মেন অৰ্থাৎ কনিষ্টবলৰ মুখস্থ, কণ্ঠস্থ। যদি হাইগেটৰ ( উত্তৰ লণ্ডন ) পৰা ব্ৰিক্‌ষ্টনলৈ ( Briseton, দক্ষিণ-পচিম লণ্ডন ) যাব লাগে আপুনি কেনেকৈ যাব লাগে সেই বিষয় নেজানে আপুনি বাক্কৰ পুলিচ্‌ম্যানকে সোধক তেতিয়াই আপোনাক আমাৰ লৰাই জিয়গ্ৰাফী মুখস্থ কৰি পঢ়া দিয়াৰ দৰে বাট পথৰ কথা, কেনেদি যোৱাই ভাল নে আম্‌নিবাচ কি ট্ৰেমগাড়ীৰেই যোৱা ভাল সকলো কথা কৈ দিব। "When you are in doubt ask a policemen" যেতিয়া আপোনাৰ সন্দেহ হব ( মই বোধ কৰোঁ যি কোনো বিষয়তে ) আপুনি পুলিচ্‌ম্যানক সোধক সি আপোনাক তেতিয়াই সন্দেহৰ আন্ধাৰ বাটৰপৰা নিশ্চিতৰ পোহৰলৈ আনিব। সিহঁতৰ এই বিষয়ে পৰীক্ষাত দিব লাগিব। বাটৰ এফালৰপৰা বাটৰ সিফাললৈ আপুনি যাব খোজে কিন্তু বাটত ইমান গাড়ী, ঘোড়া, মোটৰ ( মই যেতিয়া প্ৰথমে যাওঁ তেতিয়া মোটৰ নাছিল ) যে আপুনি ভয় লাগি আছে কেনেকৈ নো সিপাৰে যাব, এটা বেগ, চাই নাকি যদি পুলিচ্‌ম্যানৰ



গাৰ কাষ পায় গৈ আপোনাৰ আৰু ভয় নাই; হয় তো আপোনাক হাতত ধৰিয়েই হওক কি গাড়ী ঘোড়াৰ সোত বাধিয়েই হওক আপোনাক যি কোনো মতে হওক সিপাৰ পোৱাবয়ে গৈ, ই নিশ্চিত। আমি কেতিয়াও লণ্ডনৰ পুলিচ্‌ম্যান্ এটি গাড়ীৰ তলত পৰি মৰা কিম্বা জখম হোৱা শুনা নাই। কিয়নো পুলিচ্‌ম্যানেই হল গৈ "ট্ৰাফিক"ৰ ( গাড়ী ঘোড়া চলাচলৰ ) গৰাকী; যাবে কি গাড়ী হওক, অতি ডাঙৰ মানুহৰে হওক কি সৰু মানুহৰে হওক এহাতৰ এটা আঙুলিৰে হয়তো এফালে ৰবলৈ কব, পুলিচ্‌ম্যানৰ ওচৰত গাড়ী সাৱধানে যাব। আজিকালি কলিকতাতো হাওৰাৰ পুলৰ দুইয়ো মুৰত আৰু পাৰ্কষ্ট্ৰীট, চৌৰঙ্গীৰ ফালে এনে নিয়ম হৈছে দেখি আমাৰ ভাল লাগিছে। গাড়ী চলাচলৰ ফালে বেছ হৈছে কিন্তু বাটেদি খোজ কঢ়া মানুহৰ পক্ষে বিলাতৰ দৰে সুবিধা হৈছে নে নাই কব নোৱাৰোঁ। যদিহে হৈছে বৰ ভাল কথা।

এদিন আমাৰ এজন বন্ধুৱে বেগাবেগিকৈ Hobbornএ (হোবাৰ্ণ) দি বাইচিকেলেদি Grays Innত ( গ্ৰেজ্ ইনত ) "খানা" খাবলৈ দুই চাকা ঘুৰাই সুন্দৰ মতে যাব লাগিছিল। বোধ কৰোঁ Innৰ টাৰ্ম ( Term ) শেহ হওঁ হওঁ হৈছিল আৰু তেওঁৰ বোধ কৰোঁ খাব লগীয়া "খানা" কেটা খোৱা হোৱা নাই। ডিনাৰো মাৰে ছয় বজাত - বাইচিক্লিখন সেইদেখি কোনোমতে ডাঙৰ দীঘল পুতল বহল কনিষ্টবলটীৰ কাষলতি তলেদি সৰকি গ'ল ( বন্ধুজনা অলপ চুটী চাপৰ জানিবা সেই ) তেওঁ "ববি"ৰ ( Bobbie ) আঙুলি দেখিছিল নে নাই কব নোৱাৰোঁ আৰু দেখিলেও নেদেখাৰ ভাও ধৰি সৰকিল। কিন্তু "পীলাৰ Peeler ভায়াৰ চকু চাৰিউ ফালে—তৎক্ষণাৎ বাইচিকলখন আহি ধৰিলেহি। তেতিয়াই গহীন ভাবেৰে কলে "Will yor get down, sir" পাছত বন্ধুজনা চকৰি গাড়ীৰ পৰা নামিলত তেওঁৰ নাম, ঠিকানা ইত্যাদি লেখি ললে। ভালকৈ কথা বুজুৱাত তেওঁক যাবলৈ দিলে। তেওঁ সময়তে ইন্ পাই "ডিনাৰ" খাবলৈ পালে। এই কথা কিন্তু ইয়াতে শেহ নহ'ল। ভদ্ৰলোকজনক হোবাৰ্ণত চকৰি গাড়ীৰপৰা কনিষ্টবলে নমাইছিল—কিন্তু দুদিন পাছত তেওঁৰ চেপ্‌ষ্টো প্লেচ ( ও Chepstno Place ) বেজ্‌ওৱাটাৰত ( Bayswater ) এজন পুলিচৰ মানুহে গৈ বতৰা দিছিল যে তাত অমুক নামৰ এনে মানুহ থাকে নে নাই। যদি হে বন্ধুজনাই ভুল ঠিকনা দিলে হেঁতেন বোধ কৰোঁ আৰু বিচাৰ পৰিলহেঁতেন, কিন্তু তেওঁ তাতে

থকাত সেই কথাৰ তাতে সমাপতি হল। এদিন এজন ৰাজমন্ত্ৰীকো এনেকৈ নমোৱাৰ কথা আমি শুনিছোঁ।

আজি কোন্ থিয়েটৰত আভিংএ "এক্ট কৰিব, এলেন্ টেৰি এড্‌না মেটী, ওৱালাৰ, উইণ্ডাম ইত্যাদিয়ে ক'ত কি "প্লে"তু"এক্ট"কৰিব সকলোবে পুলিচ্‌ম্যানে আপোনাক সমিধান দিব। "ৰয়েল একেডেমীত কোন চিত্ৰকৰৰ পটে সৰ্ব্বপ্ৰধান ঠাই পালে তাকো ক'ব। কোন্ ষ্টেশনৰপৰা অমুক ঠাইলৈ যাব পাৰি তাকো কব (লণ্ডনত ষ্টেশন বহুতো, "টাৰ্মিনচ্" ষ্টেশনও বহুত, সৰুসুৰাৰ তো কথাই নাই)। পুলিচমেনে নজনা কথা নাই। কৈছোঁ নহয়—তেওঁ বিপদৰ বন্ধু।

কিন্তু কলিকতাত পুলিচ্‌ম্যানবোৰে তিমান বাতৰি নেৰাখে। মোৰ মনত আছে ১৮৯৯ চনত এজন ব্যাৰিষ্টৰ (এতিয়া তেওঁৰ দেহ "প্ৰ্যাক্‌টিচ্" নাম কৰা ব্যৱহাৰজীৱি, কিন্তু তেতিয়া একো নাছিল) আৰু মই বৌবাজাৰ বাটেদি এখন কেৰেয়া গাড়ীকৈ ফুৰিবলৈ গৈছিলোঁ, সেই বাটৰেপৰা ওলোৱা এটি বাটত এজন চিনাকী মানুহক লৈ দেখা কৰোঁ বুলি। পাছত আমাৰ ৰথচালকে সেই বাটৰ ভু নেপাইছিল। সেইদেখি ওচৰতে থিয় দি থকা এজন "পাহাৰাওৱালাক" সুধিলোঁ কেনে "বকাই, এই বাটটো শুনিছোঁ হেনো ইয়াৰ ওচৰতে? ক'ত বা?" জবাব পালোঁ "আৰে সাহাব এ ৰাস্তাতো হিঁয়া নেহি বা কৰে, মলাঙ্গামে হবে কৰে।" পাছত মোৰা যুগলৰ মুখ দুটা আমাৰ ৰথী ভাঙাই পাক মাৰোঁতেই দেখিলোঁ যে সেই বাটটো আমাৰ কুৰি কি তিৰিচ হাত মানৰ আগতে সশৰীৰে বৰ্ত্তমান। সেই বাটেদি পাছত গ'লোঁ। আৰু আমাৰ পুলিচ্‌ম্যান্ ভায়াক ধন্য ধন্য মনেৰে কৰিলোঁ। আমাৰ মলাঙ্গালৈ আৰু সেই বাট বিচাৰি "বনৰীয়া হাঁহ খেদিবলৈ" (wild goose chase) নহ'ল।

বিলাতৰ পাহাৰাওৱালাবোৰ প্ৰায়ে ভদ্ৰ, কচিৎ দুটা এটা হে অভদ্ৰ। লণ্ডনৰ পুলিচৰ ভিতৰত চিটি (City) পুলিচ্‌ম্যানবোৰ বহলে দীঘলে আনবোৰতকৈ বঢ়িয়া। ৰয়েল এক্সচেঞ্জৰ (Royal Exchange) পৰা একবৰ্গ মাইলৰ (One square mile) ভিতৰৰ ঠাই ডোখৰকে City কোৱা যায়। এই বিষয়ে পাছত কম। সিইতক দেখিলে মনত হয় যেন সিইঁতে লৰিবধাপৰিব নোৱাৰিব কিন্তু সিইঁতে চোৰৰ পাছত কি দৌৰা ঘোঁৰাৰ (run away horse) পাছত কেনেকৈ দৌৰ মাৰে আপুনি দেখিলে তধা হব।



লণ্ডনৰ "ক্যাব্‌ম্যান্"বোৰেও বাটবৰ চিনি পায়। সিইঁতে এটা পৰীক্ষা পাচ্ কৰিব লাগে। পৰীক্ষকে হয়তো কব "তই হ্যাম্পষ্টেডৰপৰা ঈলিংলৈ (Ealing) পোন বাটে (Short cut) দি যা"। সি সৰুসুৰা বাট-পথেদি এঁকাই বেঁকাই গৈ ঈলিংৰ সৰুবাট এটাও বিচাৰি পাব গৈ। গাড়ীথনত উঠি ক'ব লাগে "অমুক নম্বৰ Burlingtou road W" ঠিক ঘোড়া ডকাই অতি সোন্‌কালে আপোনাক লৈ যাব। "W" কবৰ মানে হৈছে যে লণ্ডনত বাৰ্লিংটন্ ৰোড হয়তো কেবাটাও। উত্তৰ, দক্ষিণ, পুব, দক্ষিণ পুব, দক্ষিণ পচিম চাৰিউফালে সেই নামৰ বাট থাকিব পাৰে। লণ্ডনৰ বাটবোৰৰ পাছত W. C. যে দেখা যায় তাৰ মানে West central, E. C. মানে East central। চিঠি লেখাত কি গাড়োৱানক সেই দুটা আখৰ লেখি কি কৈ দিব লাগে, নহলে হয়তো ভুল হৈ যাব পাৰে। পুলিচ্-ম্যানবদৰে এই ক্যাবম্যানবোৰেও ৰাজ্যৰ খবৰ দিব পাৰে। এইটো সদাই মনত ৰাখিব যে সিইঁতে লেখিব পঢ়িব জানে। বোম্বাইত এবাৰ এজন গাড়োৱানৰপৰা এটা খবৰ পাই বৰ ৰং লাগিছিল। মই এনেয়ে ধেমালি কৰি শুধিলোঁ তাৰ পৰীক্ষা কৰিবৰ নিমিত্তেই হবলা। "কোচ ওৱান্ দাদাভাই নাওৰজী ক'ত থাকে"? সি ঠিক উত্তৰ দিলে যে চহৰৰপৰা ইমান দূৰৈত অমুক ঠাইত থাকে আৰু লণ্ডনৰ পৰা কেমাহমান আগেয়ে বোম্বাইলৈ উভতি আহিছে ইয়াকো বোধ কৰোঁ ক'লে। শুনি বৰ ৰং লাগিল। এনে এটা কথাৰ উত্তৰ আমাৰ কলিকতীয়া ৰথীয়ে কব নোৱাৰিলেহেঁতেন্ যেন্ পাওঁ।

ইয়াৰ পাহাৰাওৱালা আৰু গাড়োৱানবোৰৰ বিলাতৰ পাহাৰাওৱালা আৰু গাড়োৱানবোৰৰপৰা বহুতো শিকিব লগীয়া আছে। হয় সিইঁতৰ কেজনমানে আহি শিকাই যোৱা উচিত, নহলে আমাৰ ইয়াৰপৰা কেজনমান গৈ তাত শিকি অহা উচিত। বোধ কৰোঁ শেহ ৰটোৱেই ভাল। আমাৰ মানুহে নতুন কথা শিকাৰ লগে লগে নতুন ঠাই দেখি আহিব।

আজি আৰু ইমানতে। আমনি নাই পোৱা আশা কৰোঁ।

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা।

---

## উলাহ-গীত।

আজি নবীন ছন্দে, জগতে বন্দে
অসম আসাম ভূমি।
আজি সৌৰভ ঢালি, পদুম কলি
ফুলে আবেগত পমি।
আজি অমিয়া তানে, বাসন্তী গানে
ঢালিছে পৰাণে সুধা।
আজি হৃদয় মাজে, বাঁহীটি বাজে,
—"একেটি সুৰত বন্ধা।"
আজি মাধুৰী ছবি, গৌৰব ৰবি
জিলিকে পূৰত আহি।
আজি পাহৰা সুৰে জগত জুৰে,
পবিত্র ভাবত ভাহি।
আজি সবল চিতে জাতীয় হিতে
অৰ্পিছে জীৱন সবে।
আজি আসামবাসী উলাহে নাচি
বিভোল জাতীয় ভাবে।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

---

## চিঠি।

নগাঁও, ২২ ফেব্রুৱাৰী, ১৯১১।

সম্পাদক ডাঙৰীয়া,

অনুগ্ৰহ কৰি তলত দিয়া কথা কেইফাকি আপোনাৰ বহুমূলীয়া কাকতত প্ৰকাশ কৰি বাধিত কৰিব।

বিনীত
শ্ৰীৰামেশ্বৰ বৰুৱা।

১লা ফাগুন ১৩ ফেব্রুৱাৰী তাৰিখে শ্ৰীশ্ৰীশঙ্কৰদেৱ মন্দিৰত সিংহাসন স্থাপিত হোৱাৰ বাংসৰিক মহোৎসৱ পালন কৰা হল। সেই উপলক্ষে ৮বৰদোৱাকে আদি কৰি নগাঁওৰ অনেক সত্ৰৰ গোসাঁই মহন্ত মন্দিৰত একত্ৰিত হৈছিল। উপৰীয়া প্ৰসঙ্গৰ শেষত বছৰৰ কাৰ্য্য বিবৰণী পাঠ হল আৰু এনে এটি প্ৰস্তাৱ হল যে সত্ত-মহন্ত সকলো গোট খাই মন্দিৰত কিছুদিন থাকি যেন ধৰ্ম্মালোচনা কৰা হয়। সেই প্ৰস্তাৱ সকলোৱে সমৰ্থন কৰে আৰু অহাবছৰৰ বহাগ মাহৰ শুক্লা ত্ৰয়োদশীৰপৰা পূৰ্ণিমালৈকে সকলো সত্ত মহন্ত গোটখাই ধৰ্ম্মালোচনা কৰিবলৈ সন্মত হয়। মহোৎসৱ প্ৰণালী অনুসাৰে নাম কীৰ্ত্তন, ভক্তা গানি আদি ৰাতি ভাওনা আদিৰে পালন কৰা হল। গোসাঁই মহন্তসকলে বহা-মেলাত কোনো মান সন্মান নিবিচাৰি নাম কীৰ্ত্তনত যোগ দিছিল।